চান্দমামা

নভেমবাৰ ১৯৯১



CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

M-9111 RAPCI AS

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ।

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ-১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

চান্দমামা

নভেমবাৰ ১৯৯১

এই সংখ্যাত আছে

বিজ্ঞান আৰু আমি	:	৭	চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
পৃথিৱীৰ খিৰিকীৰে	:	৯	যাদু-কাপৰ কথা	:	৩৭
সৰ্বশ্ৰেষ্ঠ শক্তি	:	১১	যোগ্য গুৰু	:	৪১
মাতৰ হেনা-হুচা	:	১৬	বীৰ হনুমান	:	৪৫
অপূৰ্ব-কাহিনী	:	১৭	পাপে দেখে পদাপাল	:	৫৩
অপত্যস্নেহ	:	২৫	চুকা চুকলিৰ মিঠা	:	৬০
এঙাৰ	:	৩২	বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী, গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 93.00 ● উৰাজাহাজ-যোগে 168.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 99.00 ● উৰাজাহাজ-যোগে 168.00

আপোনাৰ বৰঙণি বেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ পঠাওক :

চাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

Ekco®

মাৰ্কাৰ

"২৪" টাৰ পেকত

নতুন! অনন্য সুন্দৰ! উজ্জ্বল জীৱন্ত ৰঙত!

লাখ লাখ মাৰ্কাৰ চেষ্ট ইউ. এচ. এ'লৈ ৰপ্তানি কৰা হৈছে।

"১২" টাৰ পেকতো পোৱা যায়।

ভাৰতৰ সৰ্ব্ববৃহৎ নিৰ্মাতা আৰু ৰপ্তানিকাৰক।

প্ৰিচিশ্যন ৰাইটিং পইণ্টচ্ প্ৰাঃ লিঃ ১২, সুভাষ ৰোড, ভিলে পাৰ্লে (পূ:), বম্বে ৪০০ ০৫৭।

SureShot/336/Ass

CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্রপাণি সঞ্চালক : বি. নাগিৰেড্ডি

বিজ্ঞান আৰু আমি

“বিজ্ঞানৰ অবিহনে সমাজৰ ভৱিষ্যৎ নাই। বিজ্ঞানও যদি আধ্যাত্মিক শক্তিৰে নিয়ন্ত্রিত নহয়, বিজ্ঞানতো ভৱিষ্যৎ নাই।”

উপৰিউক্ত উক্তি কলম্বো বিশ্ববিদ্যালয়ত এছোছিয়েশ্যন ফৰ্ দি এড্ভান্সমেণ্ট অভ্ ছায়েন্সত প্ৰায় ত্ৰিচ বছৰৰ আগতে ভাৰতৰ পূৰ্বতন প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৰ অভিভাষণৰপৰা বোটলা হৈছে।

বিজ্ঞানে কেৱল ধাৰণাৰ বশৱৰ্তী হৈ কোনো বিষয় প্ৰামাণ্য বুলি গ্ৰহণ নকৰে, কোনো বিষয় বা বস্তুক সন্দেহৰ ঊৰ্ধত বুলি গণ্য নকৰে। বিজ্ঞানত ধাৰণাৰ স্থান নাই।

এই কাৰণেই সমগ্ৰ বিশ্বৰ মানৱ সমাজত বিজ্ঞানৰ তথা কাৰিকৰী দিশৰ উন্নতি তথা বিকাশ, অপৰিহাৰ্য্য বুলি গণ্য কৰা হয়। কৃষি, শিল্প, দেশৰক্ষা, স্বাস্থ্য—ক'বলৈ গ'লে মানৱজীৱনৰ সৰ্বদিশতে বিজ্ঞানৰ বিকাশ তথা উন্নতি প্ৰতিফলিত আৰু অপৰিহাৰ্য্য হৈ উঠিছে।

যি কি নহওক, বিজ্ঞানৰ এনেহেন জয়যাত্ৰা সত্ত্বেও, মানুহৰ নৈতিক তথা আধ্যাত্মিক সমস্যাসমূহৰ সমাধানত বিজ্ঞানে বিশেষ একো অৰিহণা যোগোৱা বুলি একেআষাৰে ক'ব নোৱাৰি। মানৱ সমাজৰ ভৱিষ্যৎ এতিয়াও নিমজ অন্ধকাৰত আচ্ছন্ন। গতিকে—বিজ্ঞানে চূড়ান্ত সত্যক চুকি পোৱা লৈহে আমি আশা পালি থাকিম

বছৰ : ১৬ নৱেম্বৰ ১৯৯১ সংখ্যা : ৮

খনে : ৪·০০ টকা :: বছৰেকীয়া বৰঙণি : ৪৮·০০ টকা

লৰালৰি
ৰং
ধেমালি
মজাই মজা
স্কুলত যে স্ফূৰ্ত্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেন্ট্‌চ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান!
চোৱানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে
গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেন্ট্‌চ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি!
(চ্ চ্ চ্! মালৈ ভয় নাখাবা! তেওঁ ভালতো পাবই দাম আৰু ভালপাব তোমাৰ ধুনীয়া ধুনীয়া কাম!)
বিনামূল্যে
পেইন্ট-এ-পষ্টাৰ
ইয়ালৈ লিখক: ফেভিক্ৰীল, পোষ্ট বক্স 17437, আন্ধেৰী (ইষ্ট), বম্বে ৪০০ ০৫৯।
নতুন
পিডিলাইট
ফেভিক্ৰীল ®
ষ্টুডেন্ট্‌চ
পষ্টাৰ কালাৰ্চ
ফেভিকল ব্ৰেণ্ড এডেচিভৰ নিৰ্মাতা পিডিলাইটৰ তৰফৰ পৰা।
STUDENTS' POSTER COLOUR
PIDILITE
Fevicryl
Fevicryl
everest/91/PIL/117 as
নাম:
বয়স:
ঠিকনা:
স্কুল:
CDM

বৰ্ণ-বৈষম্যৰ জুই !

এতিয়াৰপৰা বিশ্বৰ ক্ৰীড়াপ্ৰেমীসকলে আন্তৰ্জাতিক ক্ৰীড়াপ্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকাকো প্ৰতিযোগী হিচাপে পাবলৈ সাগ্ৰহে বৈ আছে। দক্ষিণ আফ্ৰিকাৰ ওপৰত আন্তৰ্জাতিক ক্ৰীড়াত অংশগ্ৰহণৰ ওপৰত যি নিষেধাজ্ঞা আছিল—উঠাই লোৱা হ'ল। এই দেশৰ আন্তৰ্জাতিক ক্ৰিকেট কাউন্সিলক জুলাই মাহৰ প্ৰথম-ভাগতে পুনৰ স্বীকৃতি দিয়া হৈছে। ২১ বছৰৰ আগতে, ১৯৭০ চনত বৰ্ণ-বৈষম্যৰ বাবে আন্তৰ্জাতিক অলিম্পিক কমিটিয়ে আন্তৰ্জাতিক ক্ৰীড়াত দক্ষিণ আফ্ৰিকাৰ অংশগ্ৰহণ নামঞ্জুৰ কৰিছিল।

এতিয়া সেই প্ৰতিবন্ধকতা দূৰ হোৱাৰ অন্তত ১৯৯২ চনত ফেব্ৰুৱাৰিত 'ওৱাৰ্ল্ড কাপ' ক্ৰিকেট প্ৰতিযোগিতাত তথা এই চনৰ শেষ ভাগত 'বাৰ্ছিলোনা (স্পেইন) অলিম্পিকছ' আদিতো এতিয়াৰপৰা দক্ষিণ আফ্ৰিকাই অংশগ্ৰহণ কৰিব পাৰিব।

এতিয়া শ্বেতজাতিৰ শাসকসকলৰ মাজত পৰিৱৰ্তন হ'ল। তাৰ ফলস্বৰূপে ২৫ বছৰকাল কাৰাগাৰত বন্দী হৈ থকা নেলছন ম্যাণ্ডেলাক ১৯৮৯-চনত মুক্তি দিয়া হ'ল। মুক্তিৰ পাছত নেলছন-ডি ক্লাৰ্কৰ মাজত মেল পতা হ'ল আৰু তাৰ ফলত বৰ্ণ-বৈষম্যৰ তিনিটা ক'লা আইন প্ৰত্যাহৃত হ'ল। এই আইন তিনিটা প্ৰত্যাহৃত হোৱাৰ ফলত এতিয়াৰপৰা ক'লা বৰণৰ মানুহ দক্ষিণ আফ্ৰিকাৰ য'তে ইচ্ছা হয় বসবাস কৰিব পাৰিব যিকোনো বিদ্যালয়ত পঢ়িব পাৰিব আৰু শ্বেত-লোকৰ সংস্থাত চাকৰি কৰিব পাৰিব। ভাৰত চৰকাৰে পৃথিৱীৰ অন্যান্য দেশলৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ আবেদন জনোৱাৰ ফলত এই সংস্কাৰ সম্ভৱ হৈছে।

দক্ষিণ আফ্ৰিকাৰ এই পৰিৱৰ্তনলৈ বিশ্বৰ সকলো ৰাষ্ট্ৰ:য়ই অতি আগ্ৰহৰে লক্ষ্য ৰাখিছে। আমেৰিকাই দ্ৰুত গতিৰে যোৱা ছবছৰ ধৰি আৰোপ কৰা আৰ্থিক বিধি-নিষেধ উঠাই লোৱা হৈছে। জাপানে এই কাৰ্য্যলৈ সানন্দ সমৰ্থন জ্ঞাপন কৰিছে, যদিও সুইডেন আৰু অষ্ট্ৰেলিয়াই আমেৰিকাৰ এই পদক্ষেপলৈ ভৰ্ছনা কৰিছে।

আমেৰিকাৰ বক্তব্য হ'ল যে—দক্ষিণ আফ্ৰিকাৰপৰা জৰুৰী অৱস্থা উঠাই লোৱা হ'ল, ৰাজনৈতিক বন্দী সকলক মুক্তি দিয়া হ'ল। গতিকে—এই পদক্ষেপ সঠিক।

সম্প্ৰতি দক্ষিণ আফ্ৰিকাৰ শ্বেত চৰকাৰৰ কাৰ্য্যক্ৰমত আনন্দ প্ৰকাশ কৰিও নেলছন ম্যাণ্ডেলাই কৈছে—এতিয়াও তেওঁলোক সাৱধান হৈ থাকিব লাগিব, কিয়নো বহু বন্দীক এতিয়ালৈকে মুক্তি দিয়া হোৱা নাই। তদপৰি—ক'লা আইনৰ ফলত উদ্ভূত পৰিণামস্বৰূপে এতিয়া ক'লাই-ক'লাই সংঘৰ্ষ লাগি পৰিছে।

বৰ্ণ-বৈষম্যৰ জুইশিখাত কিঞ্চিত চেঁচা পানী পৰিছে; কিন্তু এই জুই নুমাবলৈ এতিয়াও বহুত বাকী। বৰ্ণ-বৈষম্যৰ নুমাৰ ধৰা জুইত ঢালিবলৈ মানৱপ্ৰেমীসকলে ঢেৰ পানী কঢ়িয়াই আনিব লাগিব!

Nelson Mandela with wife Winnie

সৰ্বশ্ৰেষ্ঠ শক্তি

পৰশুৰ দেউতাক বুঢ়াকালত সিফলীয়া হ'ল। আৰু তাৰ পাছতে পৰশুৱে প্ৰকৃত 'দায়িত্ব' কাক বোলে—জানিলে। পৰশুৰ বয়স পঁচিছ পাৰ হ'ল কিন্তু দেউতাকৰ ওপৰত খাই খাই পৰহাতী-পৰভাতীটোহে হ'লগৈ। কেৱল টাং গুটি বাই ফুৰি আৰু জুৱা খেলি জীৱনটোক সি বৰ্বাদেই কৰি পেলালে। জুৱা খেলিবলৈ আৰ-তাৰপৰা টকা-পইচা ধাৰলৈ লৈছিল। দেউতাক জীয়াই থাকোঁতে নানান ধৰণে ছলাহ মাৰি দেউতাকৰপৰা টকা-সিকা সৰকাইছিল; কিন্তু এতিয়া ধোঁৱা-কোঁৱা দেখিলে। আৰু শেহান্তৰত—লোকৰ ধাৰ মাৰিবলৈ নিজৰ ভেটিটোকে বেচিলে। নষ্ট যোৱা পৰশুক সহায় কৰিবলৈ, আনকি সামান্য ধৰণে সান্ত্বনা দিবলৈকো পৰশুৰ হৈ কোনো আগবাঢ়ি নাছিল।

গাঁৱত যে কামবন নাপাব—পৰশুৱে নিৰ্ভুলভাবে জানিছিল। গতিকে—এদিন আবেলিপৰতে সি গাঁও এৰি 'যেনিয়ে চুচকু যায় তেনি'লৈ ওলাল। গৈ থাকোঁতে ধুমুহা উঠিল, বৰষুণো ধাৰাসাৰ নামিল। তিমানতে পৰশু এডৰা হাবিৰ ভিতৰলৈ সোমাইছিলগৈ। সোমায়েই সি হাবিৰ মাজতে চাকিৰ পোহৰ দেখা পালে আৰু সেই পোহৰৰ পম খেদি গৈ গৈ পালেগৈ এটা অতি পুৰণি প্ৰায় জহি খহি পৰাবিধৰ মন্দিৰ।

তেতিয়া মন্দিৰত এজন ডঙুৱা ডেকাই মন্দিৰৰ ঠাই এটুকুৰা চাফা কৰি আছিল। পৰশুক দেখা পায়েই সি কৈ

শশীধৰ শৰ্মা

উঠিল, "তুমি দেখিছোঁ একেবাৰে তিতি জুকলি-জুপুৰি হৈছা. তিতা কাপোৰখিনি সলোৱা। এয়া লোৱা—শুকান কাপোৰ। মোৰ নাম যতীন, মোক যতীন বুলি মাতিবা। এতিয়া কোৱা, তুমি ক'ৰপৰা আহিলা আৰু এই বাঘে পোৱালি পোৱা হাবিলৈ সোমালাহিবা কিয়।"

পৰশুৱে তাৰ কথাখিনি মনপুতি শুনাৰ অন্তত যতীনে হাঁহি হাঁহি কৈ থাকিল, "যি হওক—তেও সঠিক মানুহ এজন পালোঁ, একেবাৰে একে ঘাটৰ নাৱৰীয়া একে হালৰ লগৰীয়া। যি হ'ল —ভালেই হ'ল।"

তাৰ পাছত যতীনে তাৰ কাষত থকা টোপোলাটো খুলি ৰুটি উলিয়াই পৰশুৰ সৈতে ভগাই খালে।

খোৱা-বোৱাৰ অন্তত দুয়ো মন্দিৰৰ মজিয়াতে শুলে। তেতিয়া পৰশুৱে ক'লে, "মই কেতিয়াও চাকৰিৰ কাৰণে চেষ্টা কৰা নাই! কিন্তু চাকৰি বিচাৰি হাৰাশাস্তি হোৱাহঁতক সদায় দেখা পাওঁ। ডাঙৰ ডাঙৰ ডা-ডাঙৰীয়াহঁতৰ চুপাৰিছ নোহোৱাকৈ চাকৰি-ৰাকৰি পোৱাটো— টানেই বুলিব পাৰি। প্ৰায় অসম্ভৱ বুলি ক'লেও বঢ়াই কোৱা নহয়।"

"ঠিকেই কৈছা। কিন্তু — চাকৰি কেনেবাকৈ পাওঁ যদি মোৰ যোগ্যতা মই দেখুৱাব পাৰিম।" যতীনে ক'লে।

"সেই সুযোগ মই দিম।" মন্দিৰৰ গোসাঁনীয়ে সিহঁত দুজনক দেখা দি ক'লে।

সিহঁত দুয়ো ভেবাচেকা খাই দেৱীক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "হে আই গোসাঁনী! এই নিবন্নুৱা দুটাৰ ওপৰত দয়া কৰাত আমি ধন্য মানিছোঁ। কিন্তু হে মাতৃ! আমাক কেনেকৈ-কিমতে কি সহায় কৰিবা—দয়া কৰি কোৱা।"

তেতিয়া দেৱীয়ে ক'লে, "মই তোমালোকক তিনিটা মহিমা থকা বস্তু দিম। সেই মহিমা থকা বস্তুৰে কোনে

কি কৰিলা—তিনিদিনৰ পাছত পুনৰ ইয়ালৈ আহি মোক কৈ যাবাহি।”

দেৱীয়ে দুয়োকো এটাকৈ মাটিৰ পাত্ৰ দিলে আৰু ক'লে, “যিকোনো ঠাইত এই মাটিৰ পাত্ৰ মাটিত খুন্দি মনত যাৰ কথা ভাবিবা তেওঁ তৎক্ষণাৎ তোমালোকৰ সমুখত হাজিৰ হ'বহি।”

“কিন্তু তাৰেনো আমাৰ কি লাভ হ'ব, আই?” যতীনে ক'লে।

তেতিয়া দেৱীয়ে দুয়োজনকে এটাকৈ জালুক দিলে আৰু ক'লে, “এই জালুক মুখত ভৰাই সেই মানুহজনৰপৰা যি খুজিবা—তাকে পাবা।”



“আৰু—তৃতীয় মহিমা?” পৰশুৱে গোসাঁনীক সুধিলে।

দেৱীয়ে দুয়োকো এটাকৈ তামৰ আঙঠি দিলে আৰু ক'লে, “এই আঙঠি হাতৰ আঙুলিত থকালৈকে—যি পাবা সকলো তোমালোকৰ লগতে থাকিব।”

এই বুলি কৈয়েই দেৱী অদৃশ্য হৈ পৰিল।

ৰাতি পুৱাল। আকাশত তেতিয়া তাৰৰ আৰু নাই। পুবে ধলফাট দিলে। যতীনে পৰশুক ক'লে, “মই পুব ফাললৈ যাম। তুমিও মোৰ লগত যাবানে?”

“নহয়, মই পচিমৰ ফালে যাম। তিনিদিনৰ পাছত পুনৰ ইয়ালৈকে আহিম।” পৰশুৱে ক'লে। তলাই পৰশুৱে পশ্চিম দিশলৈ বুলি গৈ থাকিল। গোটেই দিন ধৰি বাট বুলি বুলি সাঁজ লাগি ভগাৰ পাছত পৰাশুৱে এখন নগৰ পালেগৈ। দেৱীয়ে প্ৰদান কৰা মহিমাৰে কেনেকৈ কি কৰিব সেই কথা পৰাশুৱে আগৰেপৰাই ভাবি থৈছিল। গতিকে—সি যেতিয়া গৈ গৈ এটা অট্টালিকাৰ দুৱাৰমুখ পালেগৈ, তেতিয়া সি দেৱীৰ প্ৰথম মহিমা মাটিৰ পাত্ৰটোক মাটিত খুন্দিয়ালে। আৰু—

লগে লগে এগৰাকী আদবয়সীয়া

ভৰিত কামুৰি কামুৰি ধৰিলে। পৰশুৰ ভৰিৰপৰা ধাৰাসাৰ তেজ ওলাল আৰু তিৰোতাগৰাকীয়ে বাৰে বাৰে কুকুৰটোক মাতিলে, কিন্তু কুকুৰটোৱে পৰশুক নেৰিলে। হঠাৎ পৰশুৱে তাৰ হাতৰ আঙুলিত থকা আঙঠিটো দলিয়াই পেলালে আৰু তেতিয়াহে সেই 'সোণ' নামৰ কুকুৰটোৱে তাক এৰিলে। কুকুৰটো লাহে লাহে ঘৰৰ ভিতৰলৈ সোমাই গ'ল। লগতে তিৰোতাগৰাকীও গ'লগৈ।

পৰশুৰ বিস্মিত দৃষ্টিৰ আগত অট্টালিকাৰ দুৱাৰখনো অতি ধীৰ গতিৰে বন্ধ হৈ গ'ল।

দুটা দিন পৰশু সেইখন গাঁৱতে থাকিল, কুকুৰে কামোৰাৰ চিকিৎসাও কৰোৱালে, আৰু তৃতীয় দিনা ৰাতিৰ পৰতে অতি কষ্টেৰে সেই মন্দিৰ পালেগৈ।

দেৱীয়ে পৰশুক সুধিলে, "তোমাৰ কি হ'ল? কোৱা, কি হ'ল তোমাৰ।"

পৰশুৱে লুক-ঢাক নকৰাকৈ সকলো ঘটনাৰ কথা বিবৰিলে।

অলপ সময়ৰ অদ্ভুত বাছকবনীয়া পোছাক-পাতি পিন্ধা যতীনো ওলালহি। দেৱীয়ে যতীনকো সুধিলে। যতীনে দেৱীৰ প্ৰশ্নৰ উত্তৰত যি ক'লে তাৰ মৰ্মাৰ্থ হ'ল:

মহিমা থকা বস্তুৰে যে কি কৰিব,

তিৰোতা দুৱাৰ খুলি ওলাই আহি পৰশুৰ আগত থিয় দিলে। তিৰোতা গৰাকীৰ গাত আছিল ভালেকেইপদমান সোণৰ জলমলীয়া গহনা।

পৰশুৱে জালুকটো মুখত ভৰাই তিৰোতা গৰাকীক ক'লে, "আপোনাৰ সোণ মোক দিয়ক, তুৰন্তে দিয়ক।"

তিৰোতাগৰাকীয়ে সপোনত চিঞৰাৰ দৰে চকু মুদি চিঞৰি উঠিল, "সোণ! সোণ! —সোণ!"

মুহূৰ্ততে ঘৰৰ ভিতৰৰপৰা দেখাত বাঘ-হেন 'সোণ' নামৰ প্ৰকাণ্ড কুকুৰ এটা জঁপ মাৰি ওলাই আহি পৰশুৰ

সেই কথা যতীনে আগতীয়াকৈয়েই ভাবি থৈছিল। সি পোনে পোনেই ৰাজধানীলৈ গৈ আৰু ৰজাৰ দৰ্শনলাভ কৰাৰ মনেৰে ৰজাৰ উদ্যানত বৈ আছিলগৈ। মহাৰাজ উদ্যানলৈ আহিল। যতীনে প্ৰথমেই মাটিৰ পাত্ৰটো মাটিত খুন্দিয়ালে।

তাৰ পাছত—জালুক মুখত ভৰাই যতীনে মহাৰাজক ক'লে, "মহাৰাজ, আপোনাৰ অধীনত মোক অতি সামান্য নগণ্য চাকৰি এটাও দিয়ে যদি—জীৱনত মোক আন একো নালাগে।"

মৃদুকৈ হাঁহি মাৰি মহাৰাজে যতীনক ক'লে, "তোমাৰ প্ৰাৰ্থনা মঞ্জুৰ। তুমি এতিয়াৰেপৰাই কামত যোগ দিয়া।"

চাকৰিত যোগ দিয়েই মহাৰাজৰপৰা আগধন হিচাপে মুদ্ৰা ভালেখিনি লৈ সি এটা সুৰম্য ঘৰ কিনিলে আৰু তৰহে তৰহে পোছাক-পৰিচ্ছদ ল'লে, আৰু তাৰ পাছত কথা মতে দেৱীৰ ওচৰলৈ আহিল।

যতীনে দেৱী-প্ৰদত্ত তামৰ আঙঠিটো দেৱীলৈ ঘূৰাই দিলে আৰু বিনম্ৰ মাতেৰে ক'লে, "আই! এতিয়া মোৰ শক্তিৰ ওপৰত মই বিশ্বাসী হৈ উঠিছোঁ। আত্ম-শক্তিয়েই যে আটাইতকৈ মহিমাময় বস্তু হে আই, তোমাৰ কৃপাৰেহে জানিলোঁ।"

তেতিয়া দেৱীয়ে পৰশুলৈ চাই ক'লে, "মই একেইবোৰ বস্তু আৰু দিহা তোমালোক দুয়োকো দিছিলোঁ। যতীনে বস্তুৰ আৰু দিহা-পৰামৰ্শৰ সঠিক ব্যৱহাৰ কৰি সফলতা আৰ্জিব পাৰিলে, তুমি নোৱাৰিলা। যাৰ নিজৰ শক্তিত নিজৰ আস্থা নাই, তাৰ ভৱিষ্যৎ সুন্দৰ তথা সুৰক্ষিত কৰিব পৰা কোনো শক্তি ক'তো নাই। নিজৰ ভৱিষ্যৎ নিজেই গঢ়িব লাগে, কোনো দেৱ-দেৱীয়ে গঢ়ি নিদিয়ে। আত্মশক্তিয়েই হ'ল শ্ৰেষ্ঠ শক্তি এই কথাটি সদায় মনত ৰাখিবা।"

এই বুলি কৈ দেৱী অদৃশ্য হ'ল।



মাতৰ হেনা-হুচা

শিৱপুৰীৰ সন্তোষ নামত মানুহ এজনে মইনা চৰাই কিনি আনি পুহিবলৈ ধৰিলে। এবাৰ অতি ধুনীয়া মইনা এজনী দেখা পাই সন্তোষে সুধিলে যে মইনাজনীৰ দাম কিমান।

"এশ টকা।"

"কি কোৱাহে! মইনা এজনী—এশ টকা!" সন্তোষে আচৰিত হৈ ক'লে।

"এই মইনা সাধাৰণ মইনা বুলি নাভাবিব। আপুনি এই মইনাজনীকে সোধক তাইৰ [illegible] কিমান হ'ব লাগে।" দোকানীয়ে ক'লে;

সন্তোষে মইনাজনীক সুধিলে, "মইনা, তোমাৰদাম—সঁচাসঁচিকৈ এশ টকা হয়নে?"

"এই কথাত কোনো সন্দেহ নাই।" মইনাজনীয়ে সন্তোষৰ প্ৰশ্নৰ উত্তৰত কৈ উঠিল।

সন্তোষ আচৰিত হ'ল, আৰু তৎক্ষণাৎ এশ টকাৰে মইনাজনীক কিনি ল'লে।

ঘৰত সন্তোষৰ পৰিবাৰ বা ল'ৰা-ছোৱালীহঁতে মইনাজনীক যি কথাকে নোসোধাক—মইনাজনীয়ে 'এই কথাত কোনো সন্দেহ নাই' বুলি কয়।

তেতিয়াহে সন্তোষে বুজি পালে যে—এইজনী মইনাই মাত্ৰ সেই একেযাৰ কথাকে ক'ব পাৰে আৰু দোকানীয়ে এইসাৰেৰেই তাক ভাঁৰিলে আৰু বধিলে।

এনেকৈ ঠগ খোৱাৰ কথা ভাবি সন্তোষে আফছোছেৰে ক'লে, "এস্ এস্ এস্! এইদৰে মই ঠগ খালোঁ। মই এটা যথামূৰ্খহে!"

"এই কথাত কোনো সন্দেহ নাই।" মইনাজনীয়ে কৈ উঠিল।

শুনি—পৰিয়ালৰ অন্যান্যৰ লগে লগে সন্তোষেও বাগৰি বাগৰি হাঁহি থাকিল।

—ৰমেশ বৰ্মন

অপূৰ্ব কাহিনী

৭

[আগৰ কথা : পাঁচজন ল'ৰাক অপহৰণ কৰি জলদস্যুইঁতে জাহাজত উঠাই এক অজ্ঞান দ্বীপলৈ বুলি জাহাজ এৰি দিছিল। অপূৰ্বই সমীৰক মাতি আনি গওমী নৰ পিঠিত উঠি ৰাতিৰ এন্ধাৰৰ মাজত মনে মনে সেই জলদস্যু-জাহাজত উঠি দিলে আৰু অপহৃত ল'ৰাকেইজনক জলদস্যুইঁতৰ কবলৰপৰা ৰক্ষা কৰিবলৈ আঁচনি ল'লে। ইতিমধ্যে জাহাজৰ ভিতৰত জলদস্যুইঁতৰ চৰ্দাৰৰ লগত তাৰ ঘাই অনুচৰটোৰ দন লাগিল আৰু তাৰ পৰিণামত ঘাই অনুচৰটোৱে চৰ্দাৰক তৰোৱালেৰে দুছোৱা কৰি পেলালে। আৰু তাৰ পাছত……]

তৰং-বৰং কৰি কৰি জাহাজখন মাজ সাগৰেদি চলি আছিল স্বচ্ছন্দ গতিৰে। জলদস্যুইঁতৰ নতুন চৰ্দাৰে শুই থকা ল'ৰাইঁতক জগাবলৈ ধৰিলে, "উঠা—উঠা ল'ৰাইঁত। সাগৰৰপৰা সূৰ্য্যোদয় কিমান যে সুন্দৰ—চোৱাহি।"

সমীৰৰ কথা মতে ল'ৰাইঁত সাৰে থাকিও টোপনিয়াই থকাৰ ভাও দি আছিল। এইবাৰ কৈ থাকিল, "আৰে! আমি ক'ত আছোঁ! ইয়াত শুই আছোঁ কিয় আমি?" তাৰ পাছত নীৰৱে হাঁহি থকা নতুন চৰ্দাৰলৈ চাই চাই সুধিলে, "তুমিনো কোন—? তোমাৰ নাম কি?"

"মই এই জাহাজৰ মালিক। আৰু—মোৰ নাম—গৰলধৰ।" নতুন চৰ্দাৰে হাঁহি হাঁহিয়েই ল'ৰাহঁতক ক'লে।

সমীৰে থিয় হৈ ইফালে-সিফালে চাই চাই গৰলধৰক ক'লে, "কিন্তু—কিন্তু আমাৰ বহুত পলম হৈ গ'ল, আমি এতিয়াই ঘৰলৈ উভতি যাব লাগিব।"

"আ—হ্-হ্-হা-হা-হা…!"

বিকটভাৱে হাঁহি উঠি, কিন্তু মুহূৰ্ত্ততে নিজক চম্ভালি লৈ গৰলধৰে ক'লে, "প্ৰকৃততে কথা কিহৰপৰা কি হ'ল—ময়ো একো ক'ব নোৱাৰোঁ। পিছে—তোমালোকক মই ইয়াত গধূলিৰেপৰাই দেখি আছোঁ। তোমালোক টোপনিয়াই আছিলা। জাহাজ এতিয়া পূৰ্ণ গতিৰে চলি আছে। আমি বহুত দূৰ আহি পালোহি। তোমালোকে ইয়াৰপৰা সাঁতুৰি সাগৰৰ পাৰ পাবগৈ নোৱাৰিবা।"

"তেনেহ'লে—আমাৰ কি হ'ব?" সমীৰে নুবুজাৰ দৰে গৰলধৰক সুধিলে।

"কিছুদিনৰ অন্তত—ঢেৰ ধন-সোণ লৈ আমি আকৌ ইয়ালৈ ঘূৰি আহিম। তেতিয়ালৈকে সাগৰৰ তথা প্ৰকৃতিৰ সৌন্দৰ্য্য চাই থাকা।" গৰলধৰে ক'লে।

"আপোনাৰ কথা—বেয়া নহয়। কিন্তু আমাৰ মা-দেউতাই যে আমাক দেখা নাপাই চিন্তা কৰি থাকিব—তাৰ কি হ'ব?" এজন ল'ৰাই সুধিলে।

"কিছু দিনৰ অন্তত যেতিয়া পুনৰ ঘূৰি আহি ঘৰ পাবাগৈ—তেতিয়া তেওঁলোকে কিমান ভাল পাব কোৱাচোন?" গৰলধৰে হাঁহি হাঁহি কৈ থাকিল।

"আপুনি অতি বুদ্ধিমান মানুহ।" সমীৰে থল চাই কঠিয়া পাৰিলে।

শুনি গৰলধৰৰ গা আহিল, গাত বিহু বিহু লাগিল। পাছত গঙাটোপটি হৈ সি নিজৰ অনুচৰবিলাকলৈ কেঁৰাকৈ চাই চাই বিচিত্ৰ ভাবে হাঁহিলে। তাৰ পাছত গৰলধৰে ল'ৰা ছজনক কোঠাৰপৰা

বহিৰলৈ লৈ আহিল সাগৰত সূৰ্য্যোদয় দেখুৱাবলৈ। কিন্তু অদৃশ্য অপূৰ্বৰ ইংগিতত সমীৰে অপূৰ্বলৈ চালে। অপূৰ্ব এটা গগুমীনৰ পিঠিত বহি আছিল।

অপূৰ্বই আগুৱাই আহি গুন-গুনকৈ সমীৰক ক'লে, "তোমালোকে জাহাজ এৰি পলাব খুজিছা — জলদস্যুহঁতে যদি কেনেবাকৈ সন্দেহমাত্ৰ কৰে—তোমা-লোকৰ ওপৰত অকথনীয় অত্যাচাৰ কৰিব সিহঁতে। শুনা বণিজাৰ এজনৰ জাহাজ এইফাললৈ আহি থকাৰ কথা গৰলধৰে তাৰ অনুচৰবিলাকক কোৱা মই শুনিছোঁ। সেইখন জহাজতে ইহঁতে লুট-পাট কৰিব আৰু তোমালোককো এই কামত লগাব। গতিকে—ইহঁতৰ সৈতে অতি সাৱধানতাৰে কথা পাতিবা। আৰু—"

ঠিক সেই মুহূৰ্ত্ততে গৰলধৰে কৈ উঠিল, "বোপা, এনেকৈ যদি আৰু অলপ হালিছা —একদম সাগৰৰ সোঁমাজ পাবাগৈ আৰু তেতিয়া তুমি তিমিংগিলৰ পেটতহে থাকিবাগৈ। তুৰন্তে ইয়ালৈ' আহাঁ—!"

সমীৰে তৎমুহূৰ্ত্তেই ঘূৰি থিয় হ'ল আৰু মুখত বিচিত্ৰ হাঁহি বিৰিঙাই থকা গৰলধৰৰ কাষ পালেগৈ। তাত তেতিয়া জা-জলপান খোৱা-বোৱা চলি আছিল।

সমীৰ একেবাৰে অজলাৰ ভাও দি সুধিলে, "বাৰু, এই জাহাজত তোমালোকে কি কাম কৰা ?"



যে ভাল মানুহ, আমি নিজেই দেখিছোঁ নহয়? আমি ক'ৰ কোন—নোসোধা-নোপোছকৈয়েই তোমালোকে যে আমাক জাহাজৰ ভিতৰফাল দেখুৱালা, এতিয়া সোঁমাজৰ সাগৰৰ কনেকুৱা হয় দেখুৱালা —আৰু যে কত কি আমাক দেখুৱাবা! আচ্ছা—এতিয়া তোমালোক ক'লৈ কি কৰিবলৈ গৈ আছানো?" সমীৰে ভাল-মানুহৰ পো-টিৰ দৰে নিমাখিত মুখেৰে গৰলধৰক সুধিলে।

গৰলধৰে সেপ এটা ঢুকি ক'লে, "মানে—হেৰি আৰু—এটা দ্বীপলৈ যাম —আৰু তাৰপৰা ৰইনাইদি কোঁচাই উভতি আহিম—বছ। আৰু—"

গথিনি সমীৰে গৰলধৰৰ কথা নৌদেশষ হওঁতেই সুধিলে, "কেনেকৈনো সম্ভৱ হ'ব? তোমালোকৰ জাহাজত আমাৰ ল'ৰা ছটাৰ বাদে কোনো মাল-বস্তু নায়েই দেখোন!"

"ই:! ···· নাওমান ল'ৰা — কথা দেখোন চৰা চৰা! হাৰে! আমাৰ জাহাজত মালবস্তু নাই যদি কি হ'ল? তোমালোকে সহায় কৰা যদি মাল-বস্তুৰে জাহাজখন ঠাহ খোৱাতনো কিমানপৰ?"

"কেনেকৈ? এই মাজ-সাগৰত আমি

"আমি হ'লোঁ বণিজাৰু। কিছুদিনৰ আগতে আমাৰ জাহাজৰ সকলো ধন-সোণ জলদস্যুইঁতে লুটপাত কৰি লৈ গ'ল।"

"বদমাছ—লুটিয়াৰইঁত!"

"ওঁ, বদমাছৰো বদমাছ — আৰু একেবাৰে শিলহেন নিষ্ঠুৰ-নিমৰমিয়াল। আমি আমাৰ ধন-সোণ দিবলৈ অস্বীকাৰ কৰাহেঁতেন আমাক মাৰি সাগৰৰ পানীলৈ দলিয়াই পেলালেহেঁতেন।" গৰলধৰে ল'ৰাইঁতৰ মনলৈ গঁঠীয়া-জুমুৰি এৰিলে আৰু তাৰ পাছত পুনৰ ক'লে, "আমি কিন্তু এটা মাখিও নামাৰোঁ।"

"হাঁ! বেচেৰাইঁত! তোমালোক কিমান

ইমান সাধাৰণৰো সাধাৰণ ল'ৰাবিলাকে কিনো সহায় কৰিম?" সমীৰে সুধিলে।

গৰলধৰে বুজাই ক'লে, "যিবোৰ লুটিয়াৰে আমাক লুটপাত কৰিলে সিবোৰ লুটিয়াৰ পুনৰ এই ফাললৈকে আহিব। যেতিয়াই সিহঁতৰ জাহাজ আমাৰ জাহাজৰ কাষ চাপিবহি, মই ক'লা পতাকা লৰাই থাকিম আৰু তোমালোকে — আটাইকেজন ল'ৰাই একেলগে— 'আমাক বচাওক, বচাওক—'বুলি চিঞৰি তালফাল লগাই দিবা। বছ। হৈ যাব।"

"তাৰ পাছত— ?" সমীৰে সুধিলে।

"তাৰ পাছত—তোমালোকৰ চিঞৰ-বাখৰ শুনি বণিজাৰ সদাগৰৰ ভেশ ধৰি অহা লুটিয়াৰহঁত আমাৰ জাহাজলৈ উঠি আহিব নিশ্চয়, আৰু তেতিয়া তোমালোকে কৈ দিবা যে— তোমালোকৰ জাহাজ লুটিয়াৰহঁতে লুট কৰিলে। ক'বা যে—জাহাজত থকা ডাঙৰ মানুহখিনিক কাটি সাগৰলৈ দলিয়াই পেলাই কেৱল তোমালোককহে জাহাজতে এৰি থৈ গ'ল। অলপ উচুপি উচুপি ক'বা। তোমালোকৰ কথাত পতিয়ন গৈ সিহঁতৰ মাজত কিছুমান আমাৰ জাহাজলৈ আহিব। সিহঁতক তোমালোকে ক'বা যে—এইটো কোঠাত কিছু ধন-সোণ সেই লুটিয়াৰহঁতে ভুলতে এৰি থৈ গৈছে। এই বুলি কৈ সিহঁতক আমি লুকাই বহি থকা এই কোঠাৰ ওচৰ পোৱাবা। তাৰ পাছত যি কৰিব লাগে আমি কৰিম।" গৰলধৰে পানী পানীকৈ বুজাই ক'লে।

মুহূৰ্তমানৰ পাছত পুনৰ গৰলধৰেই ক'লে, "যদি সকলো কাম মই কোৱা মতে কৰিব পাৰা—তোমালোকক বঢ়িয়াকৈ পুৰস্কাৰ দিয়া হ'ব।"

"ভাল কথা, সুন্দৰ কথা, পিছে—সিহঁতক কি কৰিব ?" সমীৰে সুধিলে।

গৰলধৰে ওঁঠ চেলেকিলে আৰু তাৰ পাছত ক'লে, "সিহঁতে আমাক যেনেকৈ

যি কৰিছিল—আমিও তাৰ জবাব'দিম। অৱশ্যে—মাৰি নেপেলাওঁ। পিছে — সিহঁতৰ জাহাজ লুট কৰি সিহঁতক গোলামৰ হাটত বেচি দিম।"

গোলামৰ হাট—ক্ৰীতদাস কিনা-বেচাৰ বজাৰখনৰ কথা শুনামাত্ৰেই ল'ৰা'হঁতৰ গাৰ তেজ গোট মাৰোঁ মাৰোঁ।

এনেতে গৰলধৰৰ অনুচৰ এটাই ক'লেহি, "জাহাজ দেখা গৈছে!"

"চাব্—বাইছ!" গৰলধৰে কৈ উঠিল, "আমাৰ জাহাজ সিহঁতৰ জাহাজলৈ লক্ষ্য কৰি চলোৱা। জল্দি কৰা। যেতিয়া সেই জাহাজৰ মানুহ-হুনুহ দেখা পাবা—আমি আমাৰ কোঠাত লুকামগৈ, এই ল'ৰাহঁতে যি কৰে কৰিব।"

গৰলধৰ আৰু ল'ৰাকেইজনে খোৰা-বোৰা কৰিলে। খানা খোৰাৰ অন্তত কোঠাৰপৰা বাহিৰলৈ আহিল। বেপাৰী-হঁতৰ জাহাজখন তেতিয়াও বহু দূৰ। অনুকূল বতাহৰ গতিৰে গৰলধৰহঁতৰ জাহাজখন বেগাই গৈ থাকিল আৰু অলপ সময়ৰ অন্তত বেপেৰুৰা-জাহাজখনৰ ওচৰ চাপিল। ইতিমধ্যে ল'ৰা ছজন বাদে গৰলধৰৰে সৈতে জাহাজৰ আটাইবোৰেই এটা কোঠাৰ ভিতৰত লুকাই থাকিলগৈ।

জাহাজৰ মাস্তুলৰ ওপৰলৈ বগাই উঠি সমীৰ থিয় হল'গৈ। তেতিয়া—এইখন জাহাজৰপৰা এটা সমুদ্ৰ-কাউৰী উৰি উৰি বেপাৰীহঁতৰ জাহাজলৈ যোৱা সমীৰে দেখা পালে। এই সমুদ্ৰ-কাউৰীটোক যে অপূৰ্ৱয়েই ক্ৰিবা বতৰাৰে সৈতে তালৈ পঠালে সেই কথা সমীৰে উপলব্ধি কৰিলে।

তেতিয়ালৈকে গৰলধৰ জাহাজৰ ইফালে-সিফালে ঘূৰি-পকি আছিল। গৰলধৰে সমীৰক ক'লে, "হেই ছোক্‌ৰা! সেই জাহাজৰ সদাগৰক আৰু তাৰ লগা-ভগাবিলাকৰ মাজত কিছুমানক আমাৰ জাহাজলৈ লৈ অহাৰ দায়িত্ব তোমাৰ। বুইছা নহয়?" এই বুলি কোৰাৰ



অন্তত গৰলধৰ দপাট্ কৈ তাৰপৰা গ'লগৈ।

আৰু সমীৰে লগে লগে গগনফলা চিঞৰ মাৰি কৈ থাকিল, "বচাওক—বচা—ওক—আমাক বচাওক!"

এই মৰ-চিঞৰ শুনি বেপাৰীহঁতৰ জাহাজৰপৰা এজন হৃষ্টপুষ্ট বলিষ্ঠ অথচ দেখাত অতি ভদ্ৰ মানুহ ওলাই আহিল। লগত কিছুমান দেহৰক্ষীকো দেখা গ'ল।

সমীৰে চিঞৰি চিঞৰি কৈ থাকিল, "আমি ছজন ল'ৰা এইখন জাহাজত আছোঁ। আমাৰ ডাঙৰহঁতক লুটিয়াৰহঁতে মাৰি পেলাই গুচি গ'ল। আমাক বচাওক! আমাক বচাওক!"

লগে লগে বেপাৰীহঁতৰ জাহাজখন এইখন জাহাজৰ লগত লাগিলহি। এখন বহল আৰু দীঘল কাঠৰ তক্তাৰে দুখন জাহাজৰ মাজত অহা-যোৱা কৰাৰ পথ প্ৰস্তুত কৰা হ'ল। আৰু তক্তাৰ ওপৰেদি কিছুমান দেহৰক্ষীৰে সৈতে সেই ভদ্ৰ মানুহজন এই জাহাজলৈ আহি নম্ৰ মাতেৰে সুধিলে, "সেই লুটিয়াৰ জলদস্যু-বিলাক ক'ত আছে?"

সমীৰে চাৰিটা জলদস্যু তথা লুটিয়াৰ লুকাই থকা কোঠাটো চকুৰ ঠাৰেৰে দেখুৱাই দিলে আৰু মুখেৰে চিঞৰি চিঞৰি ক'লে, "আহক, হুজুৰ, আহক! সিটো কোঠাত ধন-সোণ কিছুখিনি লুটিয়াৰহঁতে ভুলতে এৰি থৈ গ'ল। সেইখিনি আপোনালোকে লওক, আৰু আমাক আমাৰ ঘৰলৈ পোঁছাই দিয়ক। আমাৰ বাবে ইমানেই যথেষ্ট।"

"ভয় নকৰিবা। তোমালোকক ৰক্ষা কৰিবলৈহে আমি এইখন জাহাজলৈ আহিছোঁ।" এই বুলি কোৱাৰ অন্তত এওঁলোক গৰলধৰহঁত লুকাই জোপ লৈ থকা কোঠাটোৰ ওচৰ চাপি গ'ল আৰু কোঠাটোৰ দুৱাৰৰ শিকলিডাল বাহিৰৰ-পৰা উঠাই দিলে। লগতে তলাও লগাই দিলে। তাৰ পাছত এওঁলোকে চিঞৰি

চিঞৰি গৰলধৰহঁতক ক'লে, "শুন্ জহৰাহঁত, কুকুৰহঁত! এতিয়া তহঁতৰ চাউল টুটি আহিল আৰু যিমান কুকৰ্ম কৰিছ আজিলৈকে তাৰ দাম দিবৰো সময় চাপিল। আমাৰ লগত পঁচিছজন বছা বছা মানুহ আছে তহঁতক পোনাবলৈ। তহঁতে আজিলৈকে অসংখ্য যাত্ৰীক, বণিজাৰক ধনে-প্ৰাণে মাৰিলি, সেই অপৰাধৰ মজা আজি তহঁতক দিম। ইয়াৰপৰা আজি আৰু তহঁতৰ সাৰণ নাই। আগতে জীয়াই জীয়াই ছাল কাঢ়িম। পাছত কি কৰিম পাছত জানিবি। মুঠতে তহঁতৰ আহিয়েই দফাৰফা কৰিমনে কি ভাবি চাম। যদি ভালে-কুশলে মৰিব খুজিছ, মনে মনে থাক্, ঠাইতে বহি থাক্। অলপো লৰ-চৰ কৰিছ যদি মৰিছ। কালিলৈ তুপৰীয়ামানে আমি নঙৰ পেলাম। সেই সময়লৈকে তহঁতক খাবলৈ দিয়া নহ'ব। কেৱল অকণমান পানীহে দিয়া হ'ব। মনত ৰাখিবি, যেনেকৈ বহি আছ তেনেকৈ থাকিবি, ইফাল-সিফাল কৰিছ যদি তৎক্ষণাৎ যমৰ আলহী হ'বি।"

মানুহজনে সমীৰক সুধিলে, "বোপা, সমুদ্ৰী-কাউৰীৰ হতুৱা বাতৰি পঠালানো কেনেকৈ? কথাটো বৰ বিস্ময়জনক।"

"এই বাতৰি মই পঠোৱা নাই, এই ক্ষমতা মোত নাই। আমাৰ হৈ এগৰাকী দিব্যপুৰুষে সমুদ্ৰী-কাউৰীৰ হতুৱা বাতৰি পঠালে।" সমীৰে ক'লে।

"দিব্যপুৰুষ! ক'তনো আছে সেই দিব্যপুৰুষজনা?" বণিজাৰে অধিক আশ্চৰ্য্যময়তাৰে সুধিলে।

"তেওঁ এই মুহূৰ্তত ক'ত আছে মই ক'ব নোৱাৰিম, কিন্তু তেওঁ যে আপোনাৰ ওচৰলৈ শীঘ্ৰে যাব—সেই কথাত মই নিশ্চিত।" সমীৰে ক'লে।

জাহাজ দুয়োখন তীব্ৰ গতিৰে সাগৰৰ তীৰ বিচাৰি তৰং-বৰংকৈ গৈ থাকিল।

অপত্যস্নেহ

তথাপি বিক্রমাদিত্য অটল প্ৰতিজ্ঞাৰে উদ্বুদ্ধ হৈ পুনৰ গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পথালিকৈ পেলাই লৈ ভয়ানক মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজৰপৰা বেতালে বিক্ৰমাদিত্যক ক'লে, হে ৰাজন! প্ৰতিবাৰ পৰাজিত হৈও তুমি যে পুনৰ পূৰ্ণ উদ্যমৰে আৰব্ধ কাৰ্য্য সম্পাদনত লাগি পৰিছা, চাই চাই মই তৰধেই মানিছোঁ। কিন্তু তোমাক কওঁ—যদিহে তুমি অপত্য স্নেহ-বশতঃ আন কোনো ৰজাৰ প্ৰীতাৰ্থে এনে অকল্পনীয় কষ্টকৰ কৰ্ম যুগ যুগ ধৰি কৰি আছা, তেনেহ'লে অনন্তৰ আত্মশ্লাঘাৰ তথা আত্মমৰ্য্যাদা বোধৰ কাহিনী শুনি নিজৰ মূৰ্খতাৰপৰা সাৱধান হ'ব পাৰিবা।" এই বুলি কৈ বেতালে ৰজা হৰিশ আৰু অনন্তৰ কাহিনী একমনে ক'বলৈ ধৰিলে:

'বেতাল-কথা'



হৰিশ আছিল মহেন্দ্ৰগিৰি ৰাজ্যৰ ৰজা শ্ৰীধৰৰ একমাত্ৰ পুত্ৰ। মহাৰাজ শ্ৰীধৰে তেওঁৰ পুত্ৰ হৰিশক বিদ্যাৰ্জনৰ বাবে চিত্ৰবন নামৰ শিক্ষাশ্ৰমত দিলে।

যথোচিত শ্ৰদ্ধা আৰু ভক্তিৰে সৈতে ৰাজকোঁৱৰ হৰিশে টোলৰ আচাৰ্য্যৰ ওচৰত বিদ্যাৰ্জন কৰি থাকিল।

এই টোলৰ অনন্ত নামৰ অন্যতম ছাত্ৰ এজনক হৰিশে বৰ ভাল পাই পেলালে। যি কথাত ৰাজকোঁৱৰ হৰিশ অনন্তৰ প্ৰতি ইমান আকৃষ্ট হৈছিল — সেয়া আছিল অনন্তৰ প্ৰখৰ আত্মমৰ্য্যাদাবোধ।

ৰাজকোঁৱৰ হৰিশে অনন্তক বন্ধু কৰি ল'লে। ৰাজ-পৰিয়ালৰপৰা হৰিশৰ বাবে বিভিন্ন মিঠাই আৰু অন্যান্য ভালবো ভাল বস্তু-সামগ্ৰী পঠোৱা হৈছিল' আৰু অন্যান্য ছাত্ৰই হৰিশৰ ওচৰত মাখি পৰা দি পৰিছিলহি। ব্যতিক্ৰম আছিল—অনন্ত। হৰিশে ইটো-সিটো দিবলৈ খোজা সত্বেও অনন্তই কদাপি নলৈছিল।

এইদৰে কেইবছৰমান পাৰ হ'ল। এদিন আচাৰ্য্যই হৰিশক ক'লে, "বৎস! তোমাৰ বিদ্যাৰ্জন সমাপ্ত হ'ল। তুমি এতিয়া ৰাজধানীলৈ উভতি যাব পাৰা। ভৱিষ্যতলৈ তুমি লোকপ্ৰিয় ৰজা হোৱা —এয়ে মোৰ একান্ত কামনা।"

ৰাজধানীলৈ বুলি উভতিবলৈ ধৰোঁতে ৰাজকোঁৱৰ হৰিশে অনন্তক আঁকোৱালি লৈ ক'লে, "বন্ধু! আমি এতিয়া পৰস্পৰৰ-পৰা বিদায় ল'ম—এই কথা ভাবি বৰ বেজাৰ পাইছোঁ। যি কি নহওক—কৰ্তব্য অতি কঠোৰ বস্তু। গতিকে—বিচ্ছিন্ন হ'বই লাগিব। মোৰ এইকণ স্মৃতি তোমাৰ ওচৰত থৈ যাওঁ।" এই বুলি কৈ, ৰাজকোঁৱৰ হৰিশে কণ্ঠৰপৰা মণিহাৰ এধাৰ সোলোকাই আনি অনন্তক দিবলৈ ধৰিলে।

কিন্তু অনন্তই এই মণিহাৰ হৰিশৰপৰা নল'লে। অনন্তই হৰিশক মৃদুকৈ তিৰস্কাৰৰ

ভংগীৰে ক'লে,"এই মূল্যৱান মণিহাৰতকৈ তোমাৰ বন্ধুত্ব মোৰ কাৰণে সহস্ৰগুণে মূল্যৱান। মণিহাৰ মোক নালাগে।"

তথাপি হৰিশ নাছোৰবান্দা। হৰিশে অনন্তক ক'লে, "বন্ধু, মাত্ৰ মোৰ এইটি অনুৰোধ ৰক্ষা কৰা। মোক নিৰাশ নকৰিবা।" এই বুলি কৈ, সেই মণিহাৰ হৰিশে অনন্তৰ কণ্ঠত পিন্ধাই দিলে আৰু পুনৰ ক'লে, "বন্ধু, যেতিয়াই কিবা প্ৰয়োজন হ'ব, হৰিশ নামৰ তোমাৰ বন্ধু এজন আছে—এই কথা নাপাহৰিবা।" এই বুলি কৈ, বন্ধু আৰু অন্যান্য আশ্ৰমিক-ইঁহতৰপৰা বিদায় লৈ হৰিশ ৰাজধানীলৈ উভতি গ'লগৈ।



এবছৰৰ অন্তত মহাৰাজ শ্ৰীধৰে ৰাজকোঁৱৰ হৰিশক ৰাজ্যৰ ৰজা ৰূপে অধিষ্ঠিত কৰিলে।

ইপিনে—টোলৰ বিদ্যাশিক্ষা সমাপ্ত হোৱাৰ অন্তত অনন্তয়ো সৰুসুৰা কাম এটি ল'লে।

ধনকাম নামৰ জমিদাৰ এগৰাকীৰ ওচৰত অনন্তই কাম কৰি থাকিল। এই কামটো অনন্তৰ বিদ্যাৰ যোগ্য নাছিল, কিন্তু পেট প্ৰৱৰ্তোৱাৰ কাৰণে এই সামান্য কামেৰেই অনন্তৰ চলি গৈছিল আৰু অনন্ত তাৰে তুষ্ট আছিল।

এবাৰ অনন্তৰ দেউতাকৰ এগৰাকী বন্ধু, বৃদ্ধ শিৰনাথ অনন্তৰ ওচৰলৈ গ'ল আৰু তাক বিনম্ৰভাৱে ক'লে, "মোৰ অৱস্থা দেখিছা। আমাৰ দিন উঠিল, সকলো আশা টুটিল। শুনিলোঁ—দেশৰ ৰজা তোমাৰ বন্ধু। আমাৰ ল'ৰাটোৰ কিবা এটা গতি কৰি দিব পাৰানে কি অলপ চেষ্টা কৰিবাচোন, বোপা!"

বৃদ্ধ পিতৃবন্ধুৰ এই অনুৰোধ অনন্তই দলিয়াই পেলাব নোৱাৰিলে। শিৰনাথৰ পুত্ৰক লগত লৈ অনন্ত ৰজা হৰিশৰ কায় চাপিল। অনন্তই কথাটো কোৱামাত্ৰেই ৰজা হৰিশে শিৰনাথৰ পুত্ৰক প্ৰহৰীৰ



কামত মকৰল কৰিলে।

তাৰ পাছত হৰিশে—ইমান দিনৰ অনন্ত অহা অনন্তৰ খা-খবৰ ল'লে। কথাই কথাই অনন্তই জমিদাৰৰ অধীনত তাৰ সাধাৰণ চাকৰিটোৰ কথা ক'লে। অনন্তই ক'লে যে এই চাকৰিয়েই তাৰ জীৱনধাৰণৰ পক্ষে যথেষ্ট।

শিৱনাথৰ পুত্ৰৰ নাম প্ৰশান্ত। ৰজাই যেতিয়া প্ৰশান্তক কামত নিযুক্ত কৰিলে, তেতিয়া প্ৰশান্তয়েই এই কথা সকলোতে সগৰ্বে সদৰি কৰিলে।

শুনি—অনন্তইতৰ গাঁৱৰে বীৰেশ নামৰ ডেকা এজনে অনন্তৰ কাষ চাপিলে। আনৰপৰা ভেটি খোৱাত বীৰেশক হাতে-লোতৰে ধৰা হৈছিল আৰু ৰজা হৰিশে বীৰেশক কামৰপৰা বৰ্থাস্ত কৰিছিল।

বীৰেশে অনন্তক ক'লেহি, "অনন্ত, তুমি আৰু মই আছিলোঁ সৰুকালৰ নলেগলে লগা বন্ধু। মই সঁচা ক'বলৈ গ'লে ঘটনাটোৰ গুৰুত্ব নুবুজাকৈয়েই অন্যায় এটা কৰি পেলালোঁ আৰু তাৰ ফলত মহাৰাজে মোক বৰ্খাস্ত কৰিলে। মহাৰাজকৈ-মেলি মোক পুনৰ কামত লোৱাৰ বন্দৱস্ত কৰি দিয়া। আগলৈ মই কেতিয়াও এনে কাম নকৰোঁ।"

অনন্তই ক'লে, "তুমি অপৰাধ কৰিছা, দণ্ডও ল'বই লাগিব। এইবোৰত মই একো কৰিব নোৱাৰিম।"

এই কথা ৰজা হৰিশৰ কাণতো নপৰাকৈ নাথাকিল। বন্ধু অনন্তৰ সদগুণৰ কথাত হৰিশ মহাৰাজ মুগ্ধ হ'ল।

শ্ৰীকান্ত নামৰ ডাঙৰ বেপাৰী এজন এদিন অনন্তৰ কাষ চাপিল। শ্ৰীকান্তই নিজৰ চিনাকি দিয়াৰ অন্তত অনন্তক ক'লে, "আমাৰ ৰাজ্যত কপাহৰ বৰ নাটনি। চুবুৰীয়া ৰাজ্যত কিন্তু কপাহৰ ওগাইহৰ্। আমি যদি চুবুৰীয়া ৰাজ্যৰপৰা কপাহ আমদানী কৰিব পাৰোঁ, তেনেহ'লে আমাৰ ৰাজ্যৰ দৰিদ্ৰশ্ৰেণীৰ প্ৰজাক আমি



অতি কম দামতে বস্ত্ৰৰ যোগান দিব পাৰিম। গতিকে — কপাহ আমদানী কৰিবলৈ মোক মহাৰাজৰ অনুমতিপত্ৰ লাগে। আপুনি যদি এই কামটি কৰি দিয়ে—আমাৰ লাভৰ চাৰিভাগৰ এভাগ আপোনাক দিয়া হ'ব।"

অনন্তই অলপ পৰলৈ ভাবি লৈ ক'লে, "আপুনি যি কাম কৰিব খুজিছে—তাৰে ৰাইজৰ মংগল হ'ব। এই কামটো সুকলমে কৰি দিয়াটো মোৰ কৰ্তব্য বুলি মই ভাবোঁ।"

তাৰ পাছত—বিষয়টো ৰজা হৰিশক ভালকৈ বুজাই কৈ কপাহ আমদানি কৰাৰ অনুমতিপত্ৰ অনন্তই আনি দিছিল বেপাৰী শ্ৰীকান্তক।

শ্ৰীকান্তয়ো তেওঁৰ কথা মতে চুবুৰীয়া ৰাজ্যৰপৰা কপাহ আমদানি কৰি কম দামত বস্ত্ৰৰ যোগান ধৰিছিল। তথাপি শ্ৰীকান্তৰ লাভ হৈছিল প্ৰচুৰ। অনন্তক এই লাভৰ চাৰি এভাগ দিবলৈ শ্ৰীকান্তই বহুদিন ধৰি বহু ভাবে চেষ্টা কৰিছিল। কিন্তু শ্ৰীকান্ত ব্যৰ্থ হৈছিল, কিয়নো তেওঁ নিজেও এই ৰাজ্যৰ অধিবাসী।

এই ঘটনাৰ কথাও ৰজা হৰিশৰ কাণত নপৰাকৈ নাছিল।

এই ঘটনাৰ পাছৰপৰা বিভিন্ন কামত বিভিন্ন ধৰণৰ মানুহ অনন্তৰ কাষ চাপি থাকিল। প্ৰত্যেকৰে একেটাই কাম। মহাৰাজক কৈ-মেলি কিবা-নহয়-কিবা সা-সুবিধা আদায় কৰা। বন্ধুতাৰ এই বিষয় পৰিণাম দেখি অনন্ত উদ্বিগ্ন হ'ল।

ইপিনে—যিগৰাকী জমিদাৰৰ অধীনত অনন্তই কাম কৰিছিল, সেই জমিদাৰ ধনকামে অনন্তৰ মৰ্য্যাদাবোধ তথা আত্মসন্মান বোধ দেখি অনন্তক নিজৰ ছোৱালীজনীক দিয়াৰ প্ৰস্তাৱ কৰাত অনন্তই ক'লে, "ক্ষমা কৰিব, মই আপোনাৰ কন্যাৰ যোগ্য নহওঁ।"

কিন্তু অনন্তৰ এই কথাত ধনকাম



বিচলিত নহ'ল বা নদমিল।

এদিন ধনকামে এখন ডাঙৰ ভোজসভা পাতিলে, আৰু সেই ভোজত নগৰৰ ডো-ডাঙৰীয়াসকলকো মাতিলে। ধনকামে একাষৰীয়াকৈ মাতি নি অনন্তক ক'লে, "মোৰপৰা মহাৰাজে ভালেখিনিমান ধন কৰ হিচাপে পাবলগীয়া আছে। হাতত ধন নথকাত সময়মতে মহাৰাজক কৰৰ ধন দিব পৰা নাছিলোঁ, ঢেৰ দেৰি হ'ল। এই কাৰণে মহাৰাজে মোৰ ওপৰত কঠোৰতকৈয়ো কঠোৰ দণ্ড বিহিবলৈ যো-জা কৰাৰ খবৰ মই পাইছোঁ। তুমি মোৰ হৈ মহাৰাজৰপৰা ৰেহাইৰ আদেশপত্ৰ লৈ আহিবা বুলি আশা ৰাখিছোঁ।"

"কৰ-কাটল সঠিক সময়ত প্ৰত্যেকেই দিয়া আৱশ্যক। কিবা অসুবিধাৰ ছুতা কৰি কৰ ফাঁকি দিয়াটো অন্যায় কাম। এই অন্যায় কামৰ ৰেহাইৰ বাবে মই মহাৰাজক অনুৰোধ কৰিব্ নোৱাৰিম।" অনন্তই ক'লে।

ধনকামে ক'লে, "অনন্ত, সত্যহতে মহাৰাজে বৃদ্ধ আৰু বিধৱাসকললৈ আৰ্থিক সহায়তা আগ বঢ়াইছিল। সেই সহায়তা পোৱাতো বৃদ্ধ-বৃদ্ধা তথা বিধৱাসকলৰ বিলম্ব হোৱা নাইনে? মহাৰাজৰ এই বিলম্ব ন্যায়কাৰ্য্যনে?"

"নহয়, ন্যায় বুলি ক'ব নোৱাৰোঁ। কিন্তু—ৰজাই ন্যায় কাম নকৰা হ'ল বুলিয়েই আমিও অন্যায় কৰিমনে?" অনন্তই সুধিলে।

ধনকামে মৃদুকৈ হাঁহিলে আৰু ক'লে, "অনন্ত, আজিৰ ভোজ সভাত নিমন্ত্ৰিত-সকলৰ মাজত আনকি আমাৰ মহাৰাজৰ গুপ্তচৰো আছে। আমাৰ আলোচনাৰ কথা মহাৰাজৰ কাণত কেনেবাকৈ পৰিলে কিজানি — তোমালোকৰ মাজত বন্ধু-বিচ্ছেদ হ'ব।"

অনন্তই ক'লে, "আপোনাৰ ধাৰণা ভুল। আমাৰ মহাৰাজ অত্যন্ত দূৰদৰ্শী

আৰু অতিশয় বুদ্ধিমান।”

“ঠিক আছে, যদি বন্ধু-বিচ্ছেদ হয়, মোৰ ছোৱালীক তুমি বিয়া কৰিবা—এয়ে থাকিল চৰ্ত।”

অনন্তই দ্বিধাহীনভাবে একপক্ষীয়ভাবে ধনকামৰ চৰ্ত মানি ল'লে।

তাৰ পাছত অনন্ত মহাৰাজ হৰিশৰ কাষ চপাৰ লগে লগেই হৰিশে অগ্নিমূৰ্তি ধৰি অনন্তক ক'লে, “অনন্ত, ইমান দিন যি হ'ল—হ'ল। আগলৈ তুমি কদাপি মোৰ ওচৰলৈ নাহিবা।”

অনন্তই ধনকামৰ ওচৰত পৰাজয় স্বীকাৰ কৰি ধনকামৰ ছোৱালীজনীক বিয়া কৰাইছিল।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্রমাদিত্যক সুধিলে, “হে ৰজা, যি অনন্ত প্ৰকৃততেই সৎ, যিজন অনন্তই বাবে বাবে সততাৰ প্ৰমাণ দাঙি ধৰিছিল, সেইজন অনন্তক কিয়নো ৰজা হৰিশে এনেকৈ দূৰতে বিদূৰ কৰিছিল? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও সঠিককৈ নোকোৱা যদি— তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।”

বেতালেৰ প্ৰশ্নৰ উত্তৰত বিক্রমাদিত্যই ক'লে, “অনন্তৰ সততা তথা আত্মসন্মানবোধ সম্পৰ্কে ৰজা হৰিশৰ বিন্দুমাত্ৰও সন্দেহ নাছিল। অনন্তই জমিদাৰ ধনকামৰ জীয়েকক বিয়া কৰাই সুখী জীৱন পোৱাৰ আশাৰেহে অনন্তৰ প্ৰতি অতি স্নেহশীল ৰজা হৰিশে অনন্তক তেনেকৈ কৈছিল। তেওঁ অনন্তৰ প্ৰতি কৃত্রিম কোপ প্ৰদৰ্শন কৰি, ধনকামৰ ওচৰত হৰুৱাই, ধনকামৰ জীয়েকক বিয়া কৰিবলৈ অনন্তক বাধ্য কৰিছিল আৰু অনন্তক অঘৰীৰপৰা গৃহী কৰি তুলিছিল।”

বিক্রমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

(এছ. আৰ. শিৱনাগেশৰ ৰচনা অৱলম্বনত)

এঙাৰ

জগমোহন জমিদাৰ, কিন্তু অতি চিপিৰাকটীয়া স্বভাৱৰ মানুহ। জগমোহন যেতিয়া মন্দিৰলৈ গৈছিল—তেতিয়া ঈশ্বৰলৈ নাৰিকল বা অন্য ফল আদি দিয়া, পূজাৰীৰ থালীত দক্ষিণা দিয়া বা জোতা পৰ দিয়া ল'ৰাটোক পইচা-পাতি দিয়াৰ ভুল কেতিয়াও নকৰিছিল। জগমোহনে এইবোৰ একেবাৰেই পছন্দ নকৰে।

জগমোহন জমিদাৰৰ এনে কটকিনালিৰ কথাপূজাৰী-সীতাৰামে বঢ়িয়াকৈয়েই জানিছিল। গতিকে—সীতাৰামে কেতিয়াও ভুলতো জমিদাৰৰপৰা একো খুজিছিল।

এদিন পৰবৰ দিন উপলক্ষ্যে জমিদাৰেই পোন পহিলতে মন্দিৰলৈ আহিল আৰু দক্ষিণা হিচাপে থালীত এপইচীয়া এটা দিলে।

মাত্ৰ এপইচীয়া এটাৰে দিনটোৰ পূজা আৰম্ভ হোৱা দেখি পূজাৰীয়ে বেয়া পাই জমিদাৰক ক'লে, "আপোনাৰ নিচিনা ডাঙৰ মানুহ এগৰাকীয়ে এপইচীয়া এটা দক্ষিণা দিয়াত মই অপমান পোৱাযেন পাইছোঁ। অনুগ্ৰহ কৰি আৰু এপইচা দিয়ক।"

পূজাৰীৰ কথা শুনি জগমোহন জমিদাৰে জকজকাই উঠি ক'লে, "আকৌ এপইচা দি মই আপোনাক দুনাই অপমান কৰিবলৈ নিবিচাৰোঁ।" এই বুলি কৈ, থালীৰপৰা আগৰ পইচাটোও বুটলি লৈ জগমোহন জমিদাৰ তাৰপৰা গুচি গ'ল।

—গোমতী



ভাৰতৰ দেব-দেৱী ঃ

মহাকালী

সৃষ্টি স্থিতি আৰু লয়—এই তিনিও দিব্যশক্তিৰ সমাহাৰক আমাৰ প্ৰাচীন মুনি-ঋষিবৰ্গই বিভিন্ন ৰূপত প্ৰত্যক্ষ কৰিছিল। নিৰ্মল আৰু প্ৰশান্ত দৃষ্টিৰে শিষ্টক পালনকাৰী দিব্যমাতা—দুষ্টৰ দমনত অতি ভয়ংকৰী। আমাৰ পূৰ্বজসকলৰ বিশ্বাস আছিল যে বিশ্বৰ সকলো প্ৰাণীৰ সৃজন আৰু মৰণো এই দিব্যশক্তিৰ সংকল্পানুসাৰে হয়। এই দিব্যশক্তিৰ সংহাৰক ৰূপ হ'ল—মহাকালী।

ধুমক'লা বৰণৰ শাৰ্দুলচৰ্ম পৰিহিতা ডিঙিত মুণ্ডমালা শোভিতা চাৰিও হাতত মাৰণাস্ত্ৰ থকা মহাকালীৰ মহাৰূপ সৰ্বজনবিদিত। অটুট ভক্তিৰে এই মহাকালীৰূপী মহাশক্তিক পূজিলে যিকোনো বিঘ্ননাশ হয় বুলি ভক্তসকলৰ বিশ্বাস।

দুষ্টৰ দমনকাৰিণী মহাকালীৰ মহাবিৰ্ভাৱ তথা শুভ জন্মপোলক্ষ্যে ভক্তসৱে বিজয়াদশমী মহা আনন্দ তথা সমাৰোহৰে পালন কৰা হয় আৰু দীপাবলীৰে মহাকালীলৈ আহ্বান জনোৱা হয়।

তেৰতে তৌবা তৌবা!

ল'ৰাটি নাম বালামুৰলী আম্বাটি। সম্প্ৰতে এইটি ল'ৰা জবৰদস্ত খবৰ হৈ উঠিছে। এই ল'ৰাটি আম্বাটি হ'ল আমেৰিকাস্থ এক ভাৰতীয় ছাত্ৰ, যিটি ছাত্ৰে নিউইয়ৰ্ক বিশ্ববিদ্যালয়ৰপৰা তেৰ বছৰীয়াতে জীৱশাস্ত্ৰত স্নাতক হৈ তৌবা তৌবা দেখুৱাইছে!

ইমান কম বয়সত নিউইয়ৰ্ক বিশ্ববিদ্যালয়ৰ ইতিহাসত আন কোন কোনো কদাপি স্নাতক হোৱা নাছিল।

এই বছৰৰে যোৱা মে' মাহত এই বিশ্ববিদ্যালয়ত যিখন স্নাতকোৎসৱ পতা হৈছিল, তাত মোটামুটি দহ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক উপাধি-প্ৰাপ্ত হৈছিল। বালামুৰলীকৃষ্ণক স্নাতক উপাধি প্ৰদান কৰাৰ লগতে বিশেষ 'ছিলভাৰ টৰ্চ' প্ৰদান কৰি বিশেষভাৱে সন্মানিত কৰা হৈছে।

আম্বাটিৰ মাতৃ-পিতৃ ভাৰততে অধ্যাপনাত নিযুক্ত। ফুল ফুলিলে যেনেকৈ সুগন্ধ বিয়পি পৰে—চাৰি বছৰীয়াতে এই বালমুৰলীয়ে ক্যাল-কুলাছৰ প্ৰাথমিক সূত্ৰ শিকি পেলাইছিল। এই ঘটনাৰ ফলত পিতৃ-মাতৃয়ে তাক সকৰেপৰাই উৎসাহ দিছিল।

এঘাৰ বছৰ বয়সত বালামুৰলীয়ে তাৰ ককায়েক জয়কৃষ্ণ আম্বাটিৰ লগ লাগি 'এইডছ'-ৰ বিষয়ে এখন গ্ৰন্থ ৰচনা কৰি কীৰ্তি স্থাপিলে। তেতিয়াই বালমুৰলীয়ে নিউইয়ৰ্ক বিশ্ববিদ্যালয়ত নাম লগাবলৈ আবেদন কৰিছিল।

সম্প্ৰতে ইজৰায়েলৰ ওঠৰ বছৰীয়া যুৱক এজনে ডক্টৰেট লাভ কৰি বিশ্বৰ সৰ্বকনিষ্ঠ ডক্টৰেট হিচাপে খ্যাতি লভিলে। এতিয়া আমাৰ আম্বাটিয়ে এই ৰেকৰ্ড ভংগ কৰিবনে কি—চাবলগীয়া।

সময়তকৈ আগে আগে গৈ থকা বালামুৰলীৰ যাত্ৰা তাৰ লক্ষ্যৰ সেন্দুৰীয়া আলি নোপোৱালৈকে নিৰ্বিঘিনিৰে আৰু সুকলমে চলি থাকক—এয়ে আমাৰ কামনা।

আমি জানোনে ?

১. ছাইফাৰ, বা 'শূন্য'ৰ আৱিষ্কৰ্তা ভাৰতৰ প্ৰাচীন গণিতজ্ঞ কোন আছিল ?
২. 'সমুদ্ৰ অশ্ব' আচলতে ঘোঁৰা নহয়। কিনো ?
৩. টোকিঅ' নগৰখনৰ আগৰ নাম কি আছিল ?
৪. ৩১২ খৃষ্টাব্দত ৰজা কনস্টানটাইনে এবিধৰ ৰোমীয় মুদ্ৰাৰ প্ৰচলন কৰিছিল—যি মুদ্ৰা ১৪ শতিকালৈকে প্ৰচলিত আছিল। সেই মুদ্ৰাৰ নাম কি ?
৫. পৃথিৱীৰ সৰ্ববৃহৎ গ্ৰন্থাগাৰৰ নাম কি ?
৬. ইউৰোপত জনমি, এছিয়াত মৃত্যুবৰণ কৰি, আফ্ৰিকাত কবৰস্থ হোৱা ৰজাৰ নাম কি ?
৭. ছেক্সপিয়াৰৰ সৰ্ববৃহৎ নাটক কোনখন ?
৮. এখন ৰাষ্ট্ৰীয় পতাকাত সেই ৰাষ্ট্ৰৰ চিত্ৰ অঁকা হৈ থাকে। সেই ৰাষ্ট্ৰৰ নাম ?
৯. এভাৰেষ্ট শৃংগত এডমাণ্ড হিলাৰি আৰু টেনজিং নোৰগে-প্ৰোথিত চাৰিখন পতাকা কোন কোন দেশৰ আছিল ?
১০. ডাক-টিকেট মুদ্ৰিত কৰাত এটি যন্ত্ৰ হেনৰি আৰ্চাৰে সাজিছিল। সেই যন্ত্ৰটোৰ নাম কি ?
১১. গেলিলিঅ'ই পোন প্ৰথমতে কোন বৈজ্ঞানিক সিদ্ধান্ত আৱিষ্কাৰ কৰিছিল ?
১২. চাৰ্লছ ডাৰউইনে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ স্নাতক হ'বলৈ কি বিষয়বস্তু পঢ়িছিল ?
১৩. আমেৰিকাৰ কোনগৰাকী প্ৰেজিডেণ্ট প্ৰথম বাৰৰ বাবে ভাৰতলৈ আহিছিল ?
১৪. এবাৰ সূৰ্য্যক প্ৰদক্ষিণ কৰিবলৈ পৃথিৱীক কিমান সময় লাগে ?
১৫. এভাৰেস্ট চূড়াত কেনে ধৰণৰ শিল অধিককৈ পৰিলক্ষিত হয় !

উত্তৰ

১. আৰ্য্যভট্ট।
২. দেখাত ঘোঁৰাৰ মূৰৰ সামুদ্ৰিক মাছ।
৩. ইৰ্দো।
৪. ছোলিডাছ।
৫. মস্কোৰ লেনিন স্টেট লাইব্ৰেৰি।
৬. আলেগছান্দৰ দি গ্ৰেট। গ্ৰিছ দেশৰ ম্যাছিড'নিয়াত জনমি এছিয়াৰ বাগদাদৰ ওচৰত মৃত্যুবৰণ কৰি আফ্ৰিকাস্থিত মিছৰ-দেশৰ আলেগছান্দ্ৰিয়াত কবৰস্থ হৈছিল।
৭. হ্যামলেট। এই নাটকত ২৯৫০০ শব্দ।
৮. ছাইপ্ৰাছ।
৯. জাতিসংঘ, বৃটেইন, নেপাল, ভাৰত।
১০. টিকেটত বিন্ধা কৰা পাৰফ'ৰেটিং যন্ত্ৰ।
১১. ঘড়িৰ দোলক।
১২. ধৰ্মশাস্ত্ৰ।
১৩. ড্যুয়িট. ডি. আইজেনহাওৱাৰ।
১৪. ৩৬৫ দিন ৫ ঘণ্টা ৪৮ মিনিট ৪৬ ছেকেণ্ড।
১৫. চূণ-শিল।

সম্বাদ-বি-সম্বাদ



লণ্ডনৰ চিৰিয়াখানাৰপৰা

পৃথিৱীৰ চিৰিয়াখানাৰ মাজত অন্যতম প্ৰাচীন চিৰিয়াখানা হ'ল লণ্ডনৰ। বিগত দুবছৰৰপৰা এই চিৰিয়াখানা আৰ্থিক বিপৰ্য্যৰ সন্মুখীন। এই চিৰিয়াখানাৰ ব্যয় বছৰি ৪০ মিলিয়ন পাউণ্ড। কিন্তু বৃটিছ চৰকাৰে ইমান ধন দিব নোৱাৰে বুলি কৈছে। সেইহে লণ্ডনৰ চিৰিয়াখানাৰ নিৰ্বাহকে এই মৰ্মে ঘোষণা কৰিছে যে—এই প্ৰাচীন চিৰিয়াখানাক বিপৰ্য্যয়ৰপৰা ৰক্ষা কৰাৰ বাবে পশুপ্ৰেমী-সকল আগুৱাই আহক। আনকি পশুপ্ৰেমী সৰু সৰু ল'ৰাছোৱালীইতৰপৰাও আৰ্থিক সহায় বিচৰা হৈছে। নহ'লে কৰ্তৃপক্ষই বাধ্যত পৰি এই চিৰিয়াখানাৰ প্ৰাণীবিলাকক অন্যান্য চিৰিয়াখানালৈ পঠাবলৈ বাধ্য হ'ব বুলি ঘোষণা কৰিছে।

যিশুৰ মুখৰ ভাষা

বাইব্লত (বাইবেল) যিশু-কথিত কথামৃত বিশ্বৰ প্ৰায় সকলো ভাষালৈ অনূদিত হৈছে। যিশুৱে 'আৰামেইক' ভাষাৰে কৈছিল। এতিয়া এই



আৰামেইক ভাষা মৃতপ্ৰায়। ছিৰিয়াৰ দামাস্কাছৰ উত্তৰ ভাগত অৱস্থিত মৌলালা নগৰৰ এক প্ৰান্তত কেইহাজাৰমানেহে এই ভাষাৰে মাত-বোল কৰে। এই ভাষাৰ কোনো নিজস্ব লিপিও নাই। গতিকে—এই ভাষাৰে লিখা-পঢ়া কৰাও সম্ভৱ নহয়। ছিৰিয়াত ছিৰিয়ক, হিব্ৰু আৰু আৰবীয় ভাষাৰ প্ৰচলন। যিশুৰ মুখৰ আৰামেইক ভাষা মাত্ৰ মুখে মুখেহে কথমপি জীয়াই আছে।

গল্‌ফৰ পুৰস্কাৰ গৰু!

সম্প্ৰতি মালয়েছিয়াত 'গল্‌ফ' খেলৰ যিখন প্ৰতিযোগিতা পতা হৈছিল, তাত বিজয়ীসকলক পুৰস্কাৰ হিচাপে কোন ধন-সোণ বা শিল্ড-ট্ৰফি নিমিলিল, মিলিল নানা ধৰণৰ জন্তু-জানোৱাৰহে! এই প্ৰতিযোগিতাৰ চেম্পিয়ানক দিয়া হৈছে এজনী গাই, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ হ'ল—

ভেড়া, চতুৰ্থ আৰু পঞ্চমে পালে শহা! 'হোল-ইন-বন' প্ৰাপকৰ কাৰণে চাৰিচকীয়া বাগীৰে ঘোঁৰা নিৰ্দ্ধাৰিত হৈছিল। কিন্তু এই পুৰস্কাৰ কাকো দিবলৈকে নহ'ল। কৃষি আৰু জন্তু-জানোৱাৰক অধিককৈ জনপ্ৰিয় কৰি তোলাৰ বাবে এই বিচিত্ৰ পুৰস্কাৰৰ বন্দৱস্ত কৰা হৈছিল বুলি সেই দেশৰ কৃষি-মন্ত্ৰীয়ে কৈছে।

যাদু-কাণৰ কথা

বহু প্ৰাচীন দিনৰ কথা। জাপানদেশৰ সাগৰপৰীয়া গাঁও এখনত ছুমো নামৰ এজন যুৱক বাস কৰিছিল। এদিন সাগৰ তীৰৰ সৰু গাঁত এটাত সৰু মাছ এটি আটক হৈ পৰিল। জোৱাৰৰ লগত আহি মাছটি গাঁতত আটক হৈ পৰিছিল।

ছুমোই অসহায় মাছটিক সৰু-গাঁতৰ-পৰা দাঙি নি লাহেকৈ সাগৰৰ পানীত এৰি দিলে আৰু এই কথা ভাবি তৃপ্তি পালে যে—যেনেকৈয়েই নহওক এটি প্ৰাণ ৰক্ষা কৰা হ'ল।

তাৰ পাছত ছুমোই পুনৰ গাঁৱলৈ বুলি খোজ বঢ়ালে। কিন্তু খোজ বঢ়োৱাৰ লগে লগেই কোনোবাই পিছফালৰপৰা মাত লগালে, "অলপ ৰ'বা, শুনা।"

ছুমোই পিছ ফাললৈ ঘুৰি চালে। সাগৰৰ তীৰত তৰাং পানীত এজনী যুৱতী থিয় হৈ আছে। এই যুৱতীক ছুমোই চিনি নাপায়। যুৱতীয়ে নিশ্চয় তাক মতা নাই বুলি ভাবি ছুমোই পুনৰ খোজ ল'লে।

"তোমাকে মাতিছোঁ, ৰবা।"

যুৱতীয়ে ছুমোক ক'লে, "তোমাক মাতি লৈ যাবলৈ মোক সাগৰৰ ৰজাই ইয়ালৈ পঠাইছে। তুমি আমাৰ সাগৰৰ ৰাজকুঁৱৰীৰ প্ৰাণ ৰক্ষা কৰাৰ বাবে সাগৰ-ৰজাই তোমাক নিমন্ত্ৰণ কৰিলে। অনুগ্ৰহ কৰি মোৰে সৈতে ব'লা।"

ছুমোই ক'লে, "মই সাঁতুৰিব নোৱাৰোঁ, কেনেকৈনো যাম?"

"কোনো চিন্তা নকৰিবা। প্ৰকৃততে মই মানৱী নহয়, এজনী মাছহে। তুমি মোৰ পিঠিত উঠি সহজেই যাব পাৰিবা।"

'জাপানী লোক-কাহিনী'

তাৰ পাছত ছুয়ো গৈ থাকিল। সাগৰৰ পানী পাই যুৱতী মাছলৈ ৰূপান্তৰিত হ'ল আৰু সেই মাছৰ পিঠিত উঠি ছুমো সাগৰ-ৰাজ্যলৈ গৈ থাকিল।

গৈ থাকোঁতে মাছৰূপী যুৱতীয়ে ছুমোক ক'লে, "সাগৰৰ ৰজাই যেতিয়া তোমাক কি লাগে বুলি সুধিব, তুমি 'যাদু-কাণ' লাগে বুলি ক'বা। তুমি তেওঁৰ পুত্ৰীৰ জীৱন ৰক্ষা কৰিলা, গতিকে—তুমি যি, খুজিবা ৰজাই তাকে দিব। এই 'যাদু-কাণ' নিজৰ কাণত লগাই তুমি জগতৰ যিকোনো প্ৰাণীৰ মাত-বোল বুজিব পাৰিবা।"

সাগৰৰ ৰজাই ছুমোক আন্তৰিকতাৰে অভ্যৰ্থনা কৰিলে। পান-ভোজন নৃত্য-গীত ইত্যাদিৰ অন্তত সাগৰ-ৰজাই ছুমোক ক'লে, "আমাৰ এই ৰাজ্যৰ যিকোনো বস্তু তুমি খুজিলেই পাবা। তোমাক কি লাগে কোৱা।"

"মহাৰাজ, মোক যদি কিবা দিয়েই—মোক আন একো নালাগে, 'যাদু-কাণ' দিয়ক।" ছুমোই ক'লে।

"সাগৰ-ৰাজ্যত যাদু-কাণ মাত্ৰ এখনেই আছে। তথাপি—তোমাক দিব নোৱৰা আমাৰ একোৱেই নাই। তোমাৰ ইচ্ছাই ইচ্ছা।" এই বুলি কৈ, সাগৰ-ৰজাই 'যাদু কাণ'খন ছুমোক দিলে।

তাৰ পাছত—পুনৰ মাছৰ পিঠিত উঠি ছুমো সাগৰ-ৰাজ্য এৰি সাগৰ-তীৰলৈ



উভতি আহিল। ছুমোক সাগৰৰ তীৰত থৈ মাছজনী পুনৰ গুচি গ'ল।

তেতিয়া তাত কিছুমান পানী-হাঁহ জাতীয় জল-পক্ষীয়ে চঁচিয়াই আছিল। এই পক্ষীবিলাকেনো নিজৰ মাজত কি কথা কৈছে—জানিবৰ মনেৰে ছুমোই তাৰ কাণত 'যাদু-কাণ' লগালে।

সেই জলপক্ষীবিলাকৰ মাজত এটাই কৈ আছিল, "মানুহবিলাকে নিজক বৰ বুদ্ধিমন্ত বুলি ভাবে। কিন্তু সৌ যে পাহাৰৰ নিজৰাটোৰ তলত সৰুকৈ শিলচটা আছে—যি শিলচটাত শেলুৱৈ পৰিছে—সেই শিলচটা গছকি যায়, কিন্তু ভিতৰত যে সোণ আছে গমকে নাপায়!"

অলপ পাছত ছুমো সেই নিজৰাৰ কাষলৈ গ'ল আৰু শেলুৱৈ পৰা সৰু শিলচটা ঘৰলৈ লৈ গ'ল। জলপক্ষী বিলাকৰ কথা সঁচা আছিল। সেই শিলৰপৰা সোণ উলিয়াই নগৰত বেচি ছুমোই ঢেৰ ধন ঘটিছিল।

আন এদিন দুজনী কাউৰীয়ে কা' 'কা' কৰি খলক লগোৱাত ছুমোই তাৰ কাণত যাদু-কাণ লগাই কাউৰী দুজনীৰ মাত-বোল শুনিলে। এজনী কাউৰীয়ে কৈ আছিল ঃ

"মানুহবিলাক ইমান যে মূৰ্খ! বিৰজু গাঁৱৰ জমিদাৰ-কন্যাৰ বেমাৰ কোনো বৈদ্যয়েই ভাল কৰিব নোৱাৰিলে। পাৰিবনো কেনেকৈ? জমিদাৰ-কন্যাৰ

বেমাৰ কোনো প্ৰকৃত বেমাৰ নহয়। জমিদাৰে তেওঁৰ ঘৰৰ নানান লাম-লাকটু বান্ধি-কুন্দি থওঁতে এটা ডাঙৰ সাপকো বান্ধি থৈছে আৰু সেই সাপটো খাবলৈ নাপাই শুকাই-খীণাই মৰোঁ মৰোঁ হৈছে। সাপটোক এৰি দি অলপ গাখীৰ খুৱালেই জমিদাৰৰ বেটীৰ বেমাৰ গুচিব।"

এই কথা শুনামাত্ৰেই ছুমো পোনে পোনেই জমিদাৰৰ ঘৰ পালেগৈ।

ছুমোই এতিয়া ছোৱালীজনীক ভাল কৰি তোলাৰ কথা ক'লে, তেতিয়া তাত কেইবাজনো ভাল ভাল বৈদ্য বহি আছিল। ছুমোৰ কথা শুনি তেওঁলোকে অৱজ্ঞাৰে হাঁহি উঠিল। কিন্তু জমিদাৰে ছুমোক চিকিৎসা কৰাৰ অনুমতি দিলে।

জমিদাৰ ডাঙৰীয়াই ভাবিলেঃ পৃথিৱীত কাৰ দ্বাৰা কি হয়—কোনে ক'ব?

ছুমোক জমিদাৰ-কুঁৱৰী শুই থকা কক্ষলৈ লৈ যোৱা হ'ল। তাইলৈ এপলক চায়েই ছুমোই কৈ উঠিল, "এওঁৰ বেমাৰ-চেমাৰ একো হোৱা নাই। আপোনালোকে অন্যান্য বস্তু বান্ধি থওঁতে এটা সাপকো বান্ধি থৈছে। সেই সাপটোৱে খাবলৈ নাপাই যি শাপ দিছে—তাৰ ফলত এই বেমাৰ হৈছে। সাপটোক এৰি দি গাখীৰ খাবলৈ দিলেই এওঁৰ বেমাৰ ভাল হৈ যাব।"

জমিদাৰৰ আদেশত তন্ন তন্নকৈ বিচাৰি উলিউৱা হ'ল সাপটোৱে গাখীৰ খোৱাৰ পাছ মুহূৰ্ততেই জমিদাৰ-কন্যা শোৱাৰপৰা উঠি বহিল আৰু আগৰ দৰেই স্বাভাবিক-ভাৱে মাত-বোল কৰা হ'ল।

এই ঘটনাত জমিদাৰ ডাঙৰীয়া অত্যন্ত আনন্দিত হ'ল আৰু ছুমোই সুধিলে যে তাক কি বস্তু পুৰস্কাৰ হিচাপে লাগে। ছুমোই একো নকৈ তলমূৰ হৈ থাকিল।

পাছত জমিদাৰ ডাঙৰীয়াই ছুমোৰ অন্তৰৰ ইচ্ছাৰ কথা বুজি পাই তেওঁৰ জীয়েককে পুৰস্কাৰ হিচাপে ছুমোক দিলে।

যোগ্য গুৰু

বহু বহুকালৰ আগৰ কথা। বিছ বছৰৰো অধিক কাল ধৰি বাট চোৱাৰ অন্তত, প্ৰায় বুঢ়াকালত, গাঁওবুঢ়া ভাৰ্গৱ পিতৃ হ'ল।

তাৰ পাছত—পুত্ৰ দীপক যেতিয়া ডাঙৰ হ'ল, তেতিয়া তাৰ যথাযোগ্য শিক্ষাৰ বাবে গাঁওবুঢ়া ভাৰ্গৱে যোগ্য শিক্ষাগুৰু বিচৰাত লাগিল।

দিপক আছিল অতি বুদ্ধিমন্ত ল'ৰা। যিকোনো কথা এবাৰ শুনিয়েই মনত ৰাখিব পাৰিছিল। বয়সৰ তুলনাত সি আছিল অধিক বুদ্ধিসম্পন্ন। সি প্ৰকৃত জ্ঞানী লোকৰ দৰেই প্ৰশ্ন কৰিছিল বা আনৰ জটিল প্ৰশ্নৰ উত্তৰো দিব পাৰিছিল। গাঁৱতে গুৰুকুল — অৰ্থাৎ টোল এখন আছে। কিন্তু সেই টোলৰ গুৰুৱে যে দীপকক বিশেষ একো শিকাব নোৱাৰিব, সেই কথাত ভাৰ্গৱ গাঁওবুঢ়া নিঃসন্দেহ।

শিলাপীঠ নামৰ গাঁও এখনত অতি নামী টোল এখন থকাৰ কথা আৰু-তাৰ মুখে শুনি ভাৰ্গৱে সেইখন টোললৈ যাবলৈ মন মেলিলে। শিলাপীঠ এবেলাৰ বাট। ভাৰ্গৱে দীপকক লগত লৈ ৰংমনে যোগ্য গুৰু বিচাৰি ওলাল।

শিলাপীঠৰ গুৰুৰ নাম হ'ল কৰ্মঠ। কৰ্মঠ গুৰু যদিও কিঞ্চিত আমঠ প্ৰকৃতিৰ, তথাপি তেওঁৰ নাম-ডাক খুব। তেওঁৰ শিষ্যসকলো নামকৰা লোক। তথাপি এটা কথাত ভাৰ্গৱ সন্দিহান হৈ উঠিল :

কৰ্মব গুৰু যদি প্ৰকৃততেই এগৰাকী অতি উচ্চ স্তৰৰ গুৰু, তেওঁ শীলাপীঠহেন ঘোকোট গাঁৱতে পৰি থাকিব কিয়? তেওঁ কিয় ৰাজধানীলৈ নগ'ল? তাতে দেখোন

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



তেওঁৰ খ্যাতিও বৈ বৈ গ'লহেঁতেন, আৰু ধনো ৰইনাইদি কোঁচাব পাৰিলেহেঁতেন। কিয়নো তেন্তে তেওঁ ইয়াত পৰি আছে পৰিমৰাবিধৰ হৈ ?

পাছ মুহূর্ততে ইয়াকো ভাবিলে যে— ইমান মানুহে যিস্থলত গুৰু কৰ্মঠক ভালৰো ভাল বুলিছে, তাৰো নিশ্চয় কিবা শিপা আছে। গতিকে—এবাৰ গৈ সকলো কথাৰ আলেখ-লেখ লোৱাটোহে ভাল। এই কথাকে সাৰোগত কৰি, ভাৰ্গৰে তাৰ পুত্ৰৰে সৈতে বেগাই খোজ ল'লে।

সাঁজ লাগি ভগাৰ লগে লগে ভাৰ্গৰে শিলাপীঠ পালেগৈ। গুৰু কৰ্মঠৰ টোললৈ গৈ শুনিলে যে গুৰু কৰ্মঠ তেতিয়াই গা ধুবলৈ পুখুৰীলৈ গ'ল। তেতিয়া কৰ্মঠৰ ডাঙৰ পুত্ৰই আৰু ছবছৰীয়া নাতিয়েকে মিলি ভাৰ্গৱক সেই পুখুৰীৰ পাৰলৈ লৈ গ'ল। গুৰুৱে তেতিয়া কাপোৰ-কানি চাফা কৰি আছিল। ভাৰ্গৱে গুৰু কৰ্মঠলৈ নমস্কাৰ জ্ঞাপন কৰিলে।

কুশল-বাৰ্তা সোধাৰ অন্তত ভাৰ্গৱে গুৰু কৰ্মঠক সুধিলে, "গুৰুদেৱ, দুটা প্ৰধান ঘৰণৰ মাজত দ্বিতীয়টোৱেই প্ৰধাননে ?

"দুয়োটায়েই প্ৰধান। সিটো নহ'লে ইটো নহয়, ইটো নহ'লে সিটো নহয়।" গুৰুদেৱ ক'লে।

কাষতে থিয় হৈ থকা গুৰুৰ ছবছৰীয়া নাতিয়েকক ভাৰ্গৱে সুধিলে, "বোপা, আমাৰ এই কথাবোৰ তুমি কিবা একো বুজি পাইছানে ?"

ভাৰ্গৱৰ কথাৰ উত্তৰত ছবছৰীয়া ল'ৰাটোৱে ক'লে, "কিয় নুবুজিম ? আপুনি ককাক সুধিছিল যে—দিনতকৈ ৰাতিকে তেওঁ প্ৰধান বুলি ভাবেনে কি। ককাই ক'লে যে দিন আৰু ৰাতি দুয়োটোয়েই আচলতে প্ৰধান।"

ভাৰ্গৱে পুনৰ গুৰু কৰ্মঠক সুধিলে, "যিস্থলত সম্পূৰ্ণ বাৰ আছে আপোনাৰ দৰে বৃদ্ধ এজনে ছভাগত কষ্ট কৰিছে

কেলেই অনুগ্ৰহ কৰি ক'বনে ?"

গুৰু কৰ্মঠই ক'লে, "মোৰ জন্মৰ পাছত মৰিও পুনৰ জন্ম লোৱা বত্ৰিছ এতিয়ালৈকে সুস্থ। এইবোৰ এই কাৰণে।"

"এই কথাৰ অৰ্থ কি? বা—মই কি সুধিলোঁ? তোমাৰ দেউতাৰাই কি ক'লে?" এইবাৰ ভাৰ্গৱে গুৰু কৰ্মঠৰ পুত্ৰক সুধিলে।

গুৰু-পুত্ৰই উত্তৰত ক'লে, "আপুনি দেউতাক সুধিছেযে বৃদ্ধাৱস্থাত এই শীত-ঋতুত কেওঁ কিয় এইদৰে কষ্ট কৰিছে। দেউতাই ক'লে যে তেওঁৰ স্বাস্থ্য এতিয়াও সুদৃঢ়। গতিকে তেওঁৰ দেহই এই শীত সহজেই সহ্য কৰিব পাৰিছে।"

তাৰ পাছত ভাৰ্গৱে গুৰু কৰ্মঠক পুনৰ সুধিলে, "মহাশয়, বাৰে বাৰে ঘৰ সাজি কোনে পেলাই দিয়ে?"

"চাৰিজনে এই কাম কৰিলেই, এতিয়া সেই চাৰিজনৰবিলাকেহে এই কাম কৰি আছে।" গুৰু কৰ্মঠই ক'লে।

এই কথাৰ ব্যাখ্যাও গুৰু-পুত্ৰয়েই দিলে ভাৰ্গৱক, "আপুনি দেউতাক সুধিছে যে—ঘৰত ল'ৰা ছোৱালী কিমান আছে। দেউতাই — মোৰ চাৰিজন ল'ৰা আৰু কেইবাজনো নাতি আছে বুলি ক'লে আপোনাক।"



তেতিয়া ভাৰ্গৱে পুনৰ সুধিলে কৰ্মঠ গুৰুক, "মহাশয়, আপুনি সদায় কড়া মাৰি কড়া খাই সকলোকে কণা-মুৰি লগায়—এই কথা সঁচা নহয়নে?"

এই কথাৰ উত্তৰত গুৰু কৰ্মঠই ক'লে, "নহয়, কথাটো সঁচা নহয়। আনৰ কড়া আনি ভৰাব নোৱাৰি, গতিকে নিজৰ কড়াৰেহে ভৰাব লাগে। আমাৰ কাৰণে নিজৰ কড়ায়ে যথেষ্ট।"

গুৰুপুত্ৰই জিজ্ঞসু ভাৰ্গৱক ক'লে, "আপুনি সুধিলে যে দেউতাই সদায় উঠনা খায়নে কি। দেউতাই ক'লে যে—তেওঁ উঠনা নাখায় — কিয়নো তেওঁ নিজে

অৰ্জাথিনিৰেই প্ৰয়োজনীয় সকলো কাম সুকলমে হৈ যায়।"

কিন্তু ভাৰ্গৱ তথাপি তুষ্ট নহ'ল। ভাৰ্গৱে পুনৰ সুধিলে, "কল্পদ্ৰুমৰ অবিহনে আশ্ৰয় ল'ব লাগে, সেইবুলি তৃণবোনে?"

"কল্পদ্ৰুমৰ অবিহনে তৃণনো থাকে ক'ত? তৃণক একেলগ কৰিলেহে সকলো চাফ-চিকুণ হয়। আৰু—চাফ-চিকুণ হৈ থকাটোহে হ'ল একমাত্ৰ লক্ষ্মীমন্ত বিধি।" গুৰু কৰ্মঠই ক'লে।

ভাৰ্গৱে গুৰুৰ কথাৰ অৰ্থ কি সোধাত গুৰুপুত্ৰই ভাৰ্গৱক ক'লে, "ৰজাৰ আশ্ৰয়ৰ অবিহনে কোনো গাঁও তিষ্ঠি থাকিব নোৱাৰে। সকলো গ্ৰাম্য মানুহ বিশ্বাৰান হৈ মিলা-প্ৰীতিৰে থাকিলেহে গাঁৱৰ প্ৰগতি তথা উন্নতি হ'ব। একমাত্ৰ বুদ্ধিমানসকলেহে ৰাজাশ্ৰয় লাভ কৰিব পাৰে — আপোনাৰ প্ৰশ্নৰ উত্তৰত মোৰ দেউতাৰ উত্তৰ আছিল এয়ে।"

ইতিমধ্যে গুৰু কৰ্মঠৰ তিনি বছৰীয়া নাতিনীয়েক এজনী দৌৰি দৌৰি পুখুৰীৰ পাৰলৈ আহিল আৰু তাই তাইৰ ককাকক অজস্ৰ প্ৰশ্ন কৰি থাকিল।

ভাৰ্গৱে এই তিনিবছৰীয়াজনীক সুধিলে, "সোণটি, তোমাক কথা এটা সোধোঁনে?"

"সোধক না!" ছোৱালীজনীয়ে টপৰকৈ ক'লে।

"মৌন হৈ থকাৰ কাৰণে কি লাগে?" ভাৰ্গৱে সুধিলে।

"হৈ-চৈ কৰিব লাগে।" বুলি কৈয়ে তাই দৌৰি গুচি গ'ল। কণমানিজনীৰ কথা শুনি সকলোৱে হাঁহি উঠিল। কিন্তু মনৰ সন্দেহৰূপী মলি গুচাই ভাৰ্গৱে গুৰু কৰ্মঠৰ টোলত পুত্ৰ দীপকক এৰি থৈ গুচি গ'ল।

গুৰু কৰ্মঠৰ শিক্ষাৰ গুণত দীপকে তাৰ জীৱনকালত পোহৰ বিস্তাৰ কৰিছিল।

বীৰ হনুমান

১৬

ৰাক্ষসৰাজ ৰাৱণৰ অজ্ঞানুসাৰে প্ৰহস্তই হনুমানক সোধাত হনুমানে উত্তৰ দিলে :

"হে ৰাক্ষসাধিপতি ৰাৱণ ! কেৱল তোমাক মুখামুখিকৈ দেখাৰ বাবেইহে মই অশোকবন তছিলং কৰিছিলোঁ। কিন্তু মোৰ ইচ্ছা পূৰণ নহৈছিল ; কিয়নো তুমি স্বয়ং তালৈ নগৈ কিছুমান বীৰ ৰাক্ষসক তালৈ পঠাইছিলা, আৰু তেওঁলোকক মই অনিচ্ছাৰে কিন্তু বাধ্যত পৰি বধিলোঁ। ব্ৰহ্মা দেৱতাই মোক বৰ দান কৰিছিল— কোনো অস্ত্ৰেৰেই মোৰ মৃত্যু নহ'ব, কোনেও মোক বন্দী কৰিব নোৱাৰিব। কিন্তু তোমাক—কেৱল তোমাক দৰিশনৰ কাৰণে মই ব্ৰহ্মাস্ত্ৰৰ সহায়ত বন্দীত্বক বৰণ কৰিলোঁ।—এয়ে হ'ল সত্য আৰু সাৰ কথা।

"মই মহাপৰাক্ৰমশালী শ্ৰীৰামচন্দ্ৰ-প্ৰেৰিত দূত। তোমাৰ লৈতে মোৰ কিঞ্চিত ৰাজকীয় কাৰ্য্য আছে। তোমাৰ মংগলৰ বাবে মই এতিয়া যি কওঁ মনপুতি শুনা।

"তুমি বালীক জ্ঞাত হৈ আছিলা। সেই মহাশক্তিধৰ বালীৰজাক এপাটমাত্ৰ বাণেৰে বধি শ্ৰীৰামচন্দ্ৰই সুগ্ৰীৱক বানৰ-ৰাজ্যৰ ৰজা পাতিলে। তোমাৰদ্বাৰা অপহৃতা সীতা-মাতৃক যেনে-তেনে অন্বেষণ কৰি উলিয়াব বুলি বানৰ-ৰজা সুগ্ৰীৱে শ্ৰীৰাম-চন্দ্ৰক বচন প্ৰদান কৰিলে আৰু সেই মতে জগতৰ চতুৰ্দিশলৈ বানৰসৈন্য প্ৰেৰণ কৰিলে। ময়ো সিবোৰ বানৰৰে এটা।

'স্বৰ্ণলংকা ছাৰে-খাৰে'

"মই পৱনপুত্ৰ, আৰু মোৰ নাম হনুমান। মই শতযোজনব্যাপী সমুদ্ৰ অতিক্ৰমি সীতা মাতৃক দৰ্শন কৰিবলৈ উপনীত হৈছোঁহি তোমাৰ সুবিশাল ৰাজ্যলৈ। তোমাৰ অধীনত থকা সীতামাতৃক মই দৰ্শন কৰিলোঁ। তুমি ধৰ্মশাস্ত্ৰত সুপণ্ডিত। পৰস্ত্ৰীক অন্যায়ভাৱে আটক কৰি ৰখা যে নিৰতিশয় নীচ হীনতম কৰ্ম, সেই কথা নিশ্চয় তোমাৰ সুপৰিজ্ঞাত। এই কাৰ্য্য তোমাক নোশোভে।

"ত্ৰিভূৱনত—ৰাম-লক্ষ্মণক ৰিতুষ্ট কৰি সুখী হৈ থাকিব পৰা কোনো নাই, থাকিব নোৱাৰে। — বানৰৰাজ সুগ্ৰীৱে মোক এইখিনি কথা তোমাক ক'বলৈ ইয়ালৈ দূতৰূপে পঠালে।

"মই সীতামাতৃক দৰ্শন কৰিলোঁ, মোৰ কাৰ্য্য সাংগ হ'ল। পৰৱৰ্তী কাৰ্য্য শ্ৰীৰামচন্দ্ৰইহে কৰিব। সেই কাৰ্য্য কি হ'ব--কেনেকুৱা হ'ব, মই ক'ব নোৱাৰোঁ। মই অকলেই তোমাৰ স্বৰ্ণলংকা ছাৰখাৰ কৰিব পাৰোঁ। কিন্তু সেই উদ্দেশ্যে মই ইয়ালৈ অহা নাই, বা শ্ৰীৰামচন্দ্ৰয়ো সেই অনুমতি মোক প্ৰদান কৰা নাই। সীতাদেৱীৰ অপহৰণকাৰীক তেওঁ স্বয়ং স্বহস্তে বধিব বুলি প্ৰতিজ্ঞাবদ্ধ। জানি থোৱা ভাল, তোমাৰ মৃত্যুৰূপেহে সীতা-মাতৃক স্বয়ং তুমিয়েই কঢ়িয়াই আনিলা। এতিয়াও নিজৰ মংগল-অমংগললৈ চিন্তা কৰি চোৱা। তোমাক শ্ৰীৰামচন্দ্ৰৰ ক্ৰোধাগ্নিৰপৰা ত্ৰিজগতৰ কোনেও ৰক্ষা কৰিব নোৱাৰিব।"

এইদৰে হনুমানে নিডৰে-নিৰ্ভয়ে সত্য প্ৰকাশ কৰাত ৰাৱণ অগ্নিসম ক্ৰুদ্ধ হ'ল আৰু উচ্চকণ্ঠেৰে আদেশ প্ৰদান কৰিলে, "হনুমান নামৰ এই অতি ঘৃণ্য তথা অপৰাধী বানৰটোক মুহূৰ্ততে যমৰ আলহী কৰি পঠোৱা।"

তেতিয়া বুদ্ধিমান-বিবেচক বিভীষণে কৈ উঠিল, "হে লংকেশ! হনুমানক বধ

নকৰিবা। এই কাৰ্য্য ৰাজধৰ্ম-বিৰোধী কাৰ্য্য। লোকাচাৰৰ বিপৰীত কাৰ্য্য নকৰাই শ্ৰেয়ঃ। ক্ৰোধৰ বশীভূত নোহোৱাটোহে উত্তম। দূতক দণ্ড দিবলগীয়া হয়েই যদি —অন্য ধৰণৰ প্ৰচলিত দণ্ড আছে। যিকোনো ৰজায়েই এই কথা মনত ৰাখিব লাগে যে—দূত অবধ্য। কিয়নো—দূতে নিজৰ বক্তব্য নকয়, আনৰ বক্তব্যহে বিবৰে। এই দূতক গুচি যাবলৈ দিয়া। তাৰ পাছত যেতিয়া ৰাম-লক্ষ্মণ ইয়ালৈ আহিব — তেতিয়া তেওঁলোকক যদি সমুচিত শিক্ষা দিব পাৰা, ত্ৰিজগতত তোমাৰ নাম বৈ বৈ যাব। কি মানৱ কি দানৱ কি দেৱতা—সকলোৱে তোমাক তেতিয়া তোমাৰ বীৰত্বৰ বাবে শলাগিব।"

বিভীষণৰ কথাখিনি ৰাৱণে ভালেই পালে। ৰাৱণে ক'লে, "তোমাৰ কথা—সমস্ত সঠিক নহয়, যদিও কিছু সাৰৱত্তাও নথকা নহয়। ঠিক আছে, তোমাৰ কথা অনুসাৰে এই দুৰ্বিনীত বান্দৰটোক কিঞ্চিত দণ্ড প্ৰদান কৰি এৰি দিম। বান্দৰৰ অতি প্ৰিয় অংগ হ'ল তাৰ দীঘল নেগুৰ। তাৰ নেগুৰত জুই লগাই নেগুৰপোৰা কৰি তাক এৰি দিয়া হওক।"

লগে লগে বীৰ ৰাক্ষস কিছুমানে বন্দী হৈ থকা হনুমানৰ নেগুৰডাল কাপোৰ-কানিৰে ভালকৈ মেৰিয়াই জুই লগাই দিলে, আৰু এই দৃশ্য লংকাবাসীক





দেখুৱাবলৈ নেগুৰ-পোৰা হনুমানক লংকা-নগৰী প্ৰদক্ষিণ কৰালে।

লংকাৰ ল'ৰা-বুঢ়া ডেকা-ডেকেৰী সকলোটিয়েই এনে অভিনৱ দৃশ্য চাবলৈ ঘৰৰ বাহিৰ হৈ প্ৰকাশ্য ৰাজআলিলৈ ওলাই আহিল আৰু নেগুৰ পোৰা হনুমানক চাই আনন্দত আত্মহাৰা হ'ল। অসহায় বন্দী হনুমানৰ জ্বলি থকা নেগুৰৰ পিছে পিছে হাজাৰ-বিজাৰ আনন্দত মতলীয়া ৰাক্ষস ল'ৰা-বুঢ়া ডেকা-গাভৰু হৈ-হাল্লা কৰি কৰি গৈ থাকিল।

বীৰ ৰাক্ষসহঁতে বন্দী হনুমানক সমগ্ৰ লংকানগৰী পৰিভ্ৰমণ কৰালে। হনুমানে ৰাৱণৰজাৰ অস্ত্ৰাগাৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ ঠাইসমূহো চাই ল'লে।

ৰাক্ষসিনীহঁতে সীতাদেৱীক হনুমানৰ নেগুৰ পোৰাৰ কাহিনী সবিস্তাৰে ক'লে। শুনি সীতাদেৱী মৰ্মাহতা হ'ল আৰু হনুমানৰ নেজ যাতে পোৰা নাযায়—তাৰ বাবে অগ্নি-দেৱতালৈ খাটিলে।

সীতাদেৱীৰ মৰ্মাহত অৱস্থালৈ চাই বিভীষণ-পত্নী সৰমাই ক'লে, "মা, তুমি হনুমানৰ কোনো বিপদাশংকা নকৰিবা। হনুমান হ'ল এক মহাপৰাক্ৰমী মহাত্মা। সৌৱা চোৱা, হনুমানৰ নেজত জুই লগোৱাৰ পৰিণাম চোৱা! সমগ্ৰ লংকা-নগৰী এতিয়া হনুমানৰ নেজৰ জুইৰে একেবাৰে ছাৰেখাৰে গৈছে। কেনে এক শোকাবহ মৰ্মন্তুদ দৃশ্য!"

সৰমাৰ বক্তব্য আছিল সম্পূৰ্ণ সঠিক। নেগুৰত জুই লগাই দিয়াত উত্তেজিত-ক্ৰুদ্ধ হনুমানে অন্যায় অত্যাচাৰী ৰাক্ষসবিলাকক দণ্ড দিবলৈ স্থিৰ কৰিলে আৰু তৎক্ষণাৎ নিজৰ দেহক ক্ষুদ্ৰাকৃতি কৰি বন্ধনৰপৰা নিজক মুক্ত কৰি ল'লে। পাছ মুহূৰ্ত্ততে নগৰৰ দ্বাৰদেশত পৰি থকা বিৰাটাকাৰ লোহ মুদ্গৰ এটা হেলাৰঙে দাঙি লৈ পিছে পিছে আহি থকা বীৰ ৰাক্ষসাবপুৰা-হঁতক চকুৰ পচাৰতে বধিলে।



তাৰ পাছত হনুমানে লংকানগৰীৰ ঘৰ-দুৱাৰত জুই লগাই দিয়াৰ দিহা ল'লে। হনুমানে তেওঁৰ নেগুৰৰ জুইৰে প্ৰথমেই প্ৰহস্তৰ প্ৰাসাদত জুই লগাই দিলে। তাৰ পাছত একে একে মহাপাৰ্শ্ব, সাৰণ, ইন্দ্ৰজিত, শুক, জাম্বুমালী, সুমালী আদি বীৰ ৰাক্ষসহঁতৰ ঘৰতো জুই লগালে। বিভীষণৰ প্ৰাসাদ হনুমানে স্পৰ্শও নকৰিলে। কেৱল প্ৰাসাদ-অট্টালিকা জুইৰে ধ্বংস কৰিয়েই হনুমান নিৰস্ত নহল; লংকাৰ বিভিন্ন সম্পদো হনুমানে এফালৰপৰা ধ্বংস কৰা হ'ল।

সৰ্বশেষত হনুমানে ৰাক্ষসৰাজ ৰাৱণৰ সুৰম্য প্ৰাসাদতো জুই লগাই দিলেগৈ।

অগ্নিয়ে ৰাৱণৰ প্ৰাসাদত থকা অজস্ৰ ঐশ্বৰ্য্যময় সামগ্ৰী—সোণ-ৰূপ মণি-মুক্তা, হীৰা-পান্নাদি গলাই দিলে। সমগ্ৰ লংকা-নগৰী হনুমানৰ নেগুৰৰ দপদপীয়া জুয়েৰে লৌ লৌ কৰে জ্বলি থাকিল।

তাৰ পাছতহে অভাৰিত ক্ৰোধাগ্নিৰে উত্তেজিত হনুমান ৰ'ল।

হনুমান সাগৰলৈ গ'ল আৰু সাগৰৰ পানীত জ্বলি থকা নেগুৰডাল ডুবাই নেগুৰ জুই নিৰ্বাপিত কৰিলে।

লংকা ছাৰখাৰ কৰাৰ পাছত হনুমান অনুতপ্ত হৈ উঠিল। হনুমানে ভাবিলে: এইদৰে সুৰম্য নগৰখন জ্বলাই-পুৰি ছাৰখাৰ কৰি ভাল কাম কৰা নাই। আৰু —সমগ্ৰ লংকানগৰ পুৰিল যেতিয়া— সীতামাতৃৰো বাৰু অনিষ্ট নোহোৱাকৈ থাকিলনে ?

হনুমানে ভাবিলে: যদি সীতামাতাৰ কিবা অনিষ্ট হৈছেই, তাতেই মই প্ৰাণত্যাগ কৰিম।

কিন্তু অন্য এটা কথাও হনুমানৰ মনত মূৰ দাঙি উঠিল: যি স্থলত অগ্নিদেৱতাৰ কৃপাত নিজৰ নেগুৰডাল নোপোৰাকৈ থাকিল, সিস্থলত অগ্নিদেৱতাই সীতামাতৃৰ অনিষ্ট কৰিবনে ?

অতি দ্ৰুতগতিৰে হনুমান শিংশপা বৃক্ষৰ কাষ চাপিল আৰু তাৰ তলত সীতাক দেখা পাই, প্ৰণাম কৰাৰ অন্তত ক'লে, "মাতা! মই কিমান ভাগ্যৱান! তুমি কুশলতে আছা!"

সীতাদেৱীয়ে হনুমানক ক'লে, "হনুমান, তোমাৰ অপূৰ্ব পৰাক্ৰমৰ শলাগ মই কিমতে লওঁ? তুমি যে অকলেই সকলো ৰাক্ষসক সংহাৰ কৰি মোক লৈ যাব পাৰিবা, সেই কথা অভ্ৰান্ত সত্য। কিন্তু মোৰ পতিয়েই শত্ৰু-সংহাৰ কৰি মোক উদ্ধাৰ কৰিবহি—ইয়াকেহে মই বাঞ্ছা কৰোঁ। তুমি তেওঁক মোৰ হৈ এই কথাকে ক'বাগৈ।"

"মাতঃ! নিশ্চয় ক'ম এই কথা, আৰু তেওঁ নিশ্চয়েই ইয়ালৈ আহি শত্ৰু-সংহাৰ কৰি তোমাক লৈ যাবহি যে—সেই কথাও নিৰ্ভুল।"

এইখিনি কৈয়েই হনুমানে সীতা-দেৱীৰপৰা বিদায় লৈ, অৰিষ্ট পৰ্বতত উঠি, অৰিষ্ট পৰ্বতৰপৰা সমুদ্ৰ অতিক্ৰম কৰাৰ বাবে আকাশলৈ মাৰিলে উৰা। হনুমানৰ পদভাৰেৰে সমগ্ৰ অৰিষ্টপৰ্বত প্ৰকম্পিত হৈ উঠিল।

হনুমান একে-উৰণেৰে অতি-দূৰ সুদূৰৰ মেঘৰ ৰাজ্য পালেগৈ। আৰু মুহূৰ্ততে সাগৰ পাৰ হৈ মহেন্দ্ৰ পৰ্বত পাই হনুমানে সিংহনাদ কৰিলে।

অংগদ আৰু তেওঁৰ সংগীসকলে হনুমানৰ সিংহনাদ শুনি অপাৰ আনন্দ পালে। জাম্বৱন্তই ক'লে, "খুব সম্ভৱতঃ হনুমানৰ কাম সফল হ'ল, নহ'লে হনুমানে নিশ্চয় সিংহনাদ নকৰিলেহেঁতেন।"

শুনি বানৰহঁতৰ মাজত উখল-মাখল লাগি পৰিল। মুহূৰ্তমানৰ পাছতে আকাশত উড়ন্ত অৱস্থাত হনুমানক দেখা পাই বানৰবিলাকে মহা আনন্দৰে বৃক্ষচূড়া জোকাৰিবলৈ ধৰিলে।

আৰু চাওঁতে চাওঁতে হনুমান মহেন্দ্ৰ

পৰ্বতোপৰি ৰ'লহি।

লগে লগে অজস্র বানৰে চাৰিওফালৰে-পৰা হনুমানক আগুৰি ধৰিলে। হনুমানৰ বাবে বিভিন্ন কন্দ-ফল-মূল আনি বানৰবিলাকে স্তুপাকাৰ কৰিলে।

হনুমানে বয়োজ্যেষ্ঠ জাম্বৱন্ত, অংগদ তথা অন্যান্য মথিয়ন সকললৈ নমস্কাৰ জ্ঞাপন কৰিলে আৰু অতি সংক্ষিপ্তভাবে ক'লে, "মই সীতামাতৃৰ দৰিশন পালোঁ।"

লগতে লংকানগৰৰ চমকপ্ৰদ কথাও অত্যন্ত সংক্ষিতভাবে বানৰসকলৰ আগত বিবৰিলে। এই সংক্ষিপ্ত বিবৰণ শুনিয়েই অসংখ্য বানৰ আমোদিত হ'ল। বানৰবিলাকে নাচি-গাই বলিয়াহেন হৈ উঠিল।

তাৰ পাছত — অলপ নিৰল-নিভৃত এঠাইত বহি লৈ অংগদে হনুমানক সুধিলে, "হনুমান, তুমি এশ যোজন সাগৰ অতিক্ৰমি ৰাক্ষসদেশলৈ গ'লা, আৰু পুনৰ এশ যোজন অতিক্ৰম কৰি আহিলা। এই কাৰ্য্য আন কাৰো পক্ষে সম্ভৱ নহ'লহেঁতেন। তোমাৰ পৰাক্ৰম অতুলনীয়, তোমাৰ ৰাজভক্তিও অতুল। তুমি যে শ্ৰীৰামচন্দ্ৰ-পত্নী সীতামাতাক দৰ্শন কৰি আহিছা, এয়া আমাৰো সুভাগ্য। এতিয়া আৰু শ্ৰীৰামচন্দ্ৰই সীতা-বিয়োগত বিক্ষুব্ধ-বিমূঢ় হৈ থাকিব নালাগে।"

জাম্বৱন্তই হনুমানক ক'লে, "বোপা, সীতাদেৱীক তুমি কেনেকৈ কি অৱস্থাত দৰ্শন কৰিলা—আমাক সবিস্তাৰে ক'লেহে আমি ভাল পাম। সীতাদেৱীৰ অৱস্থানো তাত কেনেকুৱা? সীতাদেৱীৰ প্ৰতি ৰাক্ষসৰাজ ৰাৱণৰ আচৰণেইবা কেনেকুৱা? এইবোৰ, আৰু লগতে লংকানগৰৰ বহল বিবৰণ আমাক কোৱাঁ। তোমাৰপৰা সীতা-দৰ্শনৰ বহল বিবৰণ শুনাৰ অন্তত আমি সকলোৱে মিলি পৰামৰ্শ কৰি স্থিৰ কৰিম যে পত্নী-বিৰহেৰে শোক-সন্তপ্ত শ্ৰীৰামচন্দ্ৰক, আমি কেনেকৈ কি ক'মগৈ।"

পাপে দেখে পদাপাল

সুদেৰপুৰৰপৰা নগৰলৈ যাওঁতে এডৰা হাবিৰ কাষেদি যাব লাগে। হাবিৰ কাষেদি গৈ থাকোঁতে কেইটামান চোৰে মতিৰামক আগুৰি ধৰিলে আৰু তাৰপৰা মুদ্ৰা এশ কাঢ়ি নিয়াৰ উপৰিও তাক ধৰি সিহঁতৰ চৰ্দাৰৰ ওচৰলৈ লৈ গ'ল।

চোৰৰ চৰ্দাৰ ছেদিৰামে মতিৰামক তাৰ আলপৈচান ধৰা মানুহ হিচাপে ৰাখিলে। তেতিয়া মতিৰামৰ ঘাই কাম হ'ল চোৰৰ চৰ্দাৰ ছেদিৰামৰ মূৰৰপৰা ভৰিলৈকে পিটিকি দিয়া, মালিচ কৰা।

এইদৰে চাৰি মাহ পাৰ হ'ল। এদিন এজন চহকী মানুহ ঘোঁৰাত উঠি সেই হাবিৰ কাষেদি গৈ থাকোঁতে চোৰবিলাকে মানুহজনক ৰখালে। মানুহজনে তৎক্ষণাৎ তৰোৱাল হাতত লৈ চোৰবিলাকক প্ৰতি-আক্ৰমণ কৰাত সকস্থৰা যুদ্ধ আৰম্ভ হ'ল আৰু অলপ সময়ৰ পাছত চোৰবিলাকে সাহসী মানুহজনক ধৰি কটকটীয়াকৈ বান্ধি চৰ্দাৰৰ ওচৰলৈ লৈ গ'ল।

অচেতন হৈ থকা মানুহজনক দেখা মাত্ৰেই চোৰৰ চৰ্দাৰ ছেদিৰামৰ মুখ-চকুত ভীতিৰ ভাব ফুটি উঠিল। সি তাৰ এই চোৰ-লগৰীয়াবিলাকৰ ওপৰত বাঘহেন হৈ উঠিল। কিয় বেটাহঁতে এই মানুহজনক মাৰ-কিল কৰি ধৰি আনিলে?

এবাৰ ৰাজমহলত চুৰি কৰিবলৈ গৈ ৰজাৰ প্ৰহৰীবিলাকৰ খেদা খাই চোৰৰ চৰ্দাৰ ছেদিৰামে জয়গুপ্ত নামৰ মানুহ এগৰাকীৰ ঘৰত আশ্ৰয় লৈছিল। প্ৰহৰীহঁতৰ হাতত বেয়াকৈ জখম হোৱা ছেদিৰামক সেই সদাশয় গিৰিহঁতে কেৱল



আশ্ৰয়েই নহয়, চিকিৎসক এজনক মতাই অনাই চিকিৎসাও কৰাইছিল। সুস্থ হৈ উঠাৰ পাছত ছেদিৰামে জয়গুপ্তক কথা দিছিল যে সি আৰু কেতিয়াও লুট-পাট চুৰি-ডাকি নকৰিব।

এই মানুহজনেই আছিল সেই জয়গুপ্ত।

জয়গুপ্তই আগতেই চেতনা ঘূৰাই পাইছিল আৰু ছেদিৰামৰ ভোৰ-ভোৰণি-খিনিও শুনিছিল। এইবাৰ তেওঁ হাঁহি হাঁহি ছেদিৰামক ক'লে, "ক্ষমা প্ৰাৰ্থনা কৰিব নালাগে। তোমাৰ যদি তেনেকুৱা ইচ্ছা হৈছে—ক্ষমা এনেয়ে কৰিলোঁ বাৰু।

কিন্তু—তুমি যে কথা দি-ও কথা নাৰাখিলা এয়েহে দুখৰ কথা। যি কি নহওক—এতিয়া তো বুজিলা যে চোৰে অপকাৰী উপকাৰী একো নাজানে নামানে, সকলোকে লুট-পাট মাৰ-কিল কৰে। চোৰৰ শপত কাক কয় তাকো জানিলা। এতিয়া কি কৰিবা কৰা।"

"হে মহাত্মা, মই কথা দি কথা ভংগ কৰি নিশ্চয় ঘোৰ অপৰাধ কৰিলোঁ। আগলৈ আৰু যে এই অপকৰ্ম নকৰোঁ—সেই কথা মই পদে-প্ৰমাণে দাঙি ধৰিম। এতিয়াৰপৰা মই নিজেই চোৰ-ডকাইত বিলাকক বাধা দিম—এই কথা আপুনি সম্পূৰ্ণ বিশ্বাস কৰক।" চোৰৰ চৰ্দাৰ ছেদিৰামে ক'লে "মই যি কথা দিলোঁ—তাক অৱশ্যেই পালন কৰিম।"

চোৰৰ চৰ্দাৰৰ মনত পৰিবৰ্তনৰ ঢৌ অহা দেখি জয়গুপ্ত অতি আনন্দিত হ'ল।

তেতিয়া মতিৰামেও তাৰ কাহিনী জয়গুপ্তক ক'লে। শুনি জয়গুপ্তই চৰ্দাৰ ছেদিৰামক ক'লে, "এই মতিৰামে যোৱা চাৰি মাহ ধৰি তোমাৰ আলপৈচান ধৰিছে। এওঁক মাহে প্ৰতি কমেও এশকৈ মুদ্ৰা দিয়া আৰু এওঁক এওঁৰ ঘৰলৈ যাবলৈ দিয়া।"

চৰ্দাৰ ছেদিৰামে জয়গুপ্তৰ কথা মতে

মতিৰামক চাৰিমাহৰ বাবে চাৰিশ আৰু তাৰপৰা কাঢ়ি লোৱা এশ—সৰ্বমুঠ পাঁচশ মুদ্ৰা দিলে।

জয়গুপ্তই মতিৰামক ক'লে, "ময়ো তোমালোকৰ সুদেৰপুৰলৈহে গৈ আছিলোঁ তাত এটা ঘৰৰে সৈতে মাটি পাঁচ হালিচা-মান কিনিবৰ মনেৰে। তোমালোকৰ সুদেৰপুৰত হৰকিষণ বোলা মানুহ এজনে তেওঁৰ ঘৰটো আৰু মাটি খিনিও বেচিব। মই এতিয়া বৰ অসুস্থ-বোধ কৰিছোঁ, আৰু ছেদিৰামৰ অনুচৰবিলাকে মোক বেয়াকৈ জখমো কৰিলে। এটা কাম কৰিব পাৰিবা? —তুমি এই বিছ হেজাৰ মুদ্ৰা লৈ যোৱা আৰু হৰকিষণ ঘৰটো আৰু মাটিখিনি মোৰ নামত কিনি লোৱাগৈ। মই ভাল হৈ উঠি—পাছত তোমালোকৰ গাঁৱলৈ যাম আৰু তোমাৰপৰা ঘৰ তথা মাটিবেচা কাগজপত্ৰখিনি চমজি ল'ম।" এই বুলি কৈ জয়গুপ্তই মতিৰামৰ হাতত বিছ হেজাৰ মুদ্ৰা দিলে।

জয়গুপ্তৰ কাণ্ড দেখি চোৰৰ চৰ্দাৰ ছেদিৰাম প্ৰচণ্ড অবাক হ'ল আৰু কওঁ-নকওঁকৈয়ো জয়গুপ্তক ক'লে, "আপুনি এনেকুৱা এজন মানুহক — আপোনাৰ সম্পূৰ্ণ অচিনাকি মানুহ এজনক কিয়নো বিছ হেজাৰ মুদ্ৰা দিলে? সি যদি মুদ্ৰা

খিনি মাৰি দিয়ে—তেতিয়া কি হ'ব?"

জয়গুপ্তই হাঁহিলে আৰু ক'লে, "মই মানুহৰ সততালৈ অবিশ্বাস কৰিব নোৱাৰোঁ। মতিৰামে যদি এইখিনি মুদ্ৰা নিদিয়া হয়—মোৰ বিশেষ একো হানি নহ'ব—মোৰ ধনৰ নাটনি নহ'ব, এইকণ ক্ষতি মই সহজেই সহ্য কৰিব পাৰিম। কিন্তু এই অন্যায় লাভ মতিৰামে সহিব কেনেকৈ? এই প্ৰতাৰণাই তাক তাৰ সমগ্ৰ জীৱনকাললৈ খুলি খুলি খাই থাকিব দেখোন! মানুহৰ সততালৈ মোৰ বিশ্বাস আছে, আৰু থাকিবও।"

তাৰ পাছত এদিন আহত হৈ থকা



জয়গুপ্ত চহৰলৈ গুচি গ'ল।

মতিৰামো বিছ হেজাৰ মুদ্ৰাৰে সৈতে নিজ গাঁও সুদেৰপুৰলৈ গ'ল। গৈ—তাৰ ঘৈণীয়েকক সকলো কথা ভাঙি-পাতি ক'লে, কোৱাৰ অন্তত ঘৈণীয়েক মাকৰীয়ে ক'লে, "এই জয়গুপ্তনে ক্ষয়গুপ্ত বোলাটো এটা মহামূৰুখ যেনহে লাগিছে। কাম এটা কৰা যাওক, হৰকিষণৰ ঘৰ আৰু মাটি মোৰ ককাইদেউৰ নামত কিনি লোৱা যাওক।"

মাকৰীৰ এইটি কথাও মতিৰামৰ পছন হ'ল বৰ। মতিৰামে বিছ হেজাৰৰ মাজৰ-পৰা দুহেজাৰেৰে নিজৰ সকসুৰা ধাৰ-ধুৰখিনি মাৰিলে। মাৰি—বাকীখিনিৰ হৰকিষণৰ ঘৰ আৰু মাটিকেহালিচা খুলশালিয়েকৰ নামত কিনিলে। মতিৰামৰ খুলশালিয়েক যে কিছু ডাঙৰ মানুহ—সুদেৰপুৰীয়াই নজনা নাছিল। গতিকে এই কথাত আচৰিতো হোৱা নাছিল।

এমাহমানৰ অন্তত জয়গুপ্তই সুদেৰ-পুৰলৈ এজন মানুহক পঠালে। মানুহজনে মতিৰামৰ হাতত এখন চিঠি দিলে। এই চিঠিখনত জয়গুপ্তই মতিৰামলৈ লিখিছিল যে—তেওঁ এমাহৰ অন্ততহে সুদেৰপুৰলৈ আহিব, সুদেৰপুৰত হৰকিষণৰ ঘৰ আৰু মাটিকেহালিচা কিনা হল'নে নাই মতিৰমে তেওঁক লিখি পঠায় যেন—ইত্যাদি। মতিৰামে চিঠিৰ উত্তৰত এইদৰে লিখিলে :

'মহাশয়, ইয়াৰ আগতে আপুনি ইয়ালৈ যিজন মানুহক পঠিয়াইছিল, তেওঁ সুদেৰপুৰত আপোনাৰ নামত ঘৰ বা মাটি নিকিনিবলৈহে মোক কৈছিলহি। তেওঁ মুদ্ৰাখিনিও ওভোতাই লৈ যাব বুলি কৈছিল। সেই মানুহজনৰ কথা শুনি গাঁৱৰ ৰাইজে মোৰ ওচৰত মুদ্ৰা থকাৰ কথা জানিলে। মই যিসকলৰপৰা মুদ্ৰা ধাৰলৈ লৈছিলোঁ, কথাটো তেওঁসকলেও জানিলে আৰু তেতিয়া মই একপ্ৰকাৰে

বাধ্যত পৰি ধাৰখিনি—আপোনাৰ মুদ্ৰাৰেই মাৰিলোঁ। আপুনি এসময়ত কিনিবলৈ মনস্থ-কৰা ঘৰ আৰু মাটিখিনি মোৰ খুলশালিয়েৰাই তেওঁৰ নামত কিনি ল'লে। আপোনাৰ মুদ্ৰাখিনি মই কিস্তি-বন্দীকৈ লাহে লাহে পৰিশোধ কৰিম।"

জয়গুপ্তই মতিৰামৰ এই চিঠিৰ উত্তৰত লিখি পঠালে: 'মতিৰাম, তোমাৰ মতিভ্ৰম হ'ল, আৰু মোক তুমি প্ৰতাৰণা কৰিলা। ... তোমাৰ নিচিনা প্ৰতাৰক য'ত থাকে তাত মই মাটি-বাৰী কিনিবলৈ নিবিচাৰোঁ। মই আন এখন গাঁৱলৈ বিশ্ৰাম ল'বলৈ গৈছোঁ। পাছত তোমাৰ সৈতে বুজাপৰা কৰিম। ....'

জয়গুপ্তৰ চিঠি পঢ়ি মতিৰাম কিছু দমি গ'ল আৰু দুঃখও পালে। কিন্তু মাকৰীয়ে ক'লে, "এই কথাত কিয় মন মাৰি থাকিব লাগে? তুমি কাকো প্ৰতাৰণা কৰা নাই। তুমি প্ৰতাৰক হোৱাহেঁতেন কোনোবাই তোমাৰ হাতত বিছহেজাৰ মুদ্ৰা দিলেহেঁতেননে? আৰু —তুমি দেখোন তেওঁৰ টকাখিনি কিস্তিকৈ ঘূৰাই দিবা বুলি কৈছাই। ইমানতো যদি জয়গুপ্তই ভয় খায়— তোমাক ভদ্ৰলোক বুলি নভবা হয়— ক'বলগীয়া নাই।"



ঘৈণীয়েক মাকৰীৰ কথাত মতিৰাম কিছু লৰিচৰি বহিল।

তাৰ পাছত দুবছৰমান উকলিল। এতিয়া মতিৰামৰ ধন-দৌলত কিছু নথকা নহয়, আছে; কিন্তু তাৰে তাৰ বৰ বিশেষ ভাল হোৱা নাই। বৰঞ্চ বেয়াহে হৈছে বুলি ক'ব পাৰি। সময়মতে বৰষুণ নিদিয়াত খেতি-বাতি শুকাই মৰহি গ'ল, ধুমুহাত তাৰ ঘৰটো ভাগিল। আৰু এইবোৰ এশ-এবুৰি দুৰ্বিপাকৰ ফলত সি আগৰ দৰেই ধকুৱা হৈয়েই থাকিল।

কিছুদিনৰ অন্তত মতিৰামে খবৰ পালে যে সিহঁতৰ গাঁৱৰ ওচৰত থকা হাবিত



ময়েই কৰিম। ব'ল মোৰ লগত।"

এই মানুহজনেই যে একালৰ চোৰৰ চৰ্দাৰ ছেদিৰাম, সেই কথা বুজাত মতিৰামৰ সৰহপৰ নালাগিল। ছেদিৰামে যে এইবাৰ তাৰ কথা ৰাখিছে—ভাবি ভাল লাগিল মতিৰামৰ।

তাৰ পাছত মতিৰাম সাধুবাবাৰ কাষ চাপিল। সাধু বাবাই মতিৰামৰ পিনে তীব্ৰ দৃষ্টিৰে চাই ক'লে, "তুমি হ'লা খালক পোৱা জাৰৰ, তুমি ভালক বেয়া কৰি তোলা মহাপাপী! তুমি সৎ মানুহজনৰ ওচৰলৈ গৈ স্বীকাৰ কৰি, ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা নকৰালৈকে তোমাৰ একোপধ্যেই মুক্তি নাই।"

সাধুবাবাৰ কথা শুনি মতিৰাম তুৰন্তে চহৰলৈ গ'ল আৰু তাত জয়গুপ্তৰ ঘৰ বিচাৰি উলিয়াই, নিজৰ প্ৰতাৰণাৰ কথা নিজমুখে স্বীকাৰ কৰি ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা কৰিলে।

জয়গুপ্তই হাঁহি মাৰি ক'লে, "দাৰিদ্ৰ্য ৰাক্ষসীয়ে বহুতো অপকৰ্মৰ জন্ম দিয়ে। তুমি মোক প্ৰতাৰণা কৰাৰ কথা গম পোৱা মাত্ৰেই তোমালৈ চিঠি লিখিলোঁ। কিন্তু চিঠি লিখাৰ পাছতে মোৰ সকলো খং-ৰাগ নোহোৱা হ'ল। তোমাক মই এনেয়েই ক্ষমা কৰিছিলোঁ।"

সাধু এগৰাকীয়ে আশ্ৰম পাতিছেহি। সাধুবাবাই হেনো যিকোনো সমস্যাৰ সমাধান অতি সহজে কৰিব পাৰে। শুনি —এশ মুদ্ৰা লগত লৈ মতিৰাম সাধুবাবাৰ ওচৰলৈ গৈ থাকিল।

বাটত এটা চোৱে মতিৰামক ৰখালে আৰু যি আছে দিবলৈ ক'লে। কিন্তু— মতিৰামে একো ক'বলৈ নৌ পাওঁতেই হঠাৎ বিজুলীগতিৰে ক'ৰবাৰপৰা মানুহ এজন আহিল আৰু চোৰটোক ক'লে, "তোক লোকৰ ধন কাঢ়ি ল'বলৈ ইমানকৈ মানা কৰিলোঁ, কিন্তু তই নুশুনিলি। আজি-তোক লৈ যাম, আৰু তোৰ বিচাৰ

জয়গুপ্তৰ উদাৰ ভদ্ৰতাৰ উত্তৰত মতিৰামে অপাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলে আৰু তাৰ পাছত বিদায় লৈ পুনৰ নিজ গাঁৱলৈ বুলি খোজ ল'লে।

হাবি পায়েই মতিৰামৰ মনত এটা কথাই খু-দুৱালে : জয়গুপ্তই যদি নিজে নিজেই ক্ষমা কৰিছিল, তেনেহ'লে ইমান ঘটনা ঘটিল কিয়? ইমান অস্বস্তি কিয় হৈছিল?

গতিকে—মতিৰাম পুনৰ সাধুবাবাৰ ওচৰলৈ গ'ল আৰু সাধুবাবাক সুধিলে কথাটো।

সাধুবাবাই ক'লে, "প্ৰকৃত সৎ মানুহে অসতক সদায়েই ক্ষমা কৰে। কিন্তু সেই বুলি—সেই ক্ষমাই পাপীহঁতৰ মনৰপৰা সমস্ত পাপ ধুই নিকা কৰি দিব বুলি ভবাটো মূৰ্খতাহে। এই পৃথিৱীত অসৎ মানুহৰহে সংখ্যাধিক্য, সৎ মানুহ অতি কম। পুণ্যৱানৰ ক্ষমাৰে পাপীৰ পাপ নোহোৱা হোৱাহেঁতেন জগতত অত্যাচাৰৰ কদাপি শেষেই নহ'লহেঁতেন। যি কি নহওক—তোমাৰ মনত যদি পৰিৱৰ্তনৰ ঢৌ আহিছে, সেই ঢৌৱেহে তোমাৰ মনৰ মলি নিকা কৰিব। মুখৰ কথা মূল্যহীন হ'ব পাৰে, মনৰ ব্যথা কদাপি মূল্যহীন নহয়। কৃতকৰ্মৰ বাবে মনত যদি ব্যথা হয়, তেতিয়াহে অস্বস্তি দূৰ হয়, পাপে পদাপাল দেখি পলায়।"

তেতিয়াহে মতিৰামৰ জ্ঞানোদয় হ'ল। মতিৰামে আৰু কেতিয়াও আঁকৰী মাকৰীৰ বুদ্ধি মতে কোনো কাম নকৰা হ'ল।

জয়গুপ্তই পাছত সেই হৰকিষণৰপৰা মতিৰামে কিনি লোৱা ঘৰটো আৰু মাটি-খিনিও মতিৰামকে দান কৰিছিল আৰু তেতিয়াৰপৰা পৰিবৰ্তিত মতিৰামে সমাজ-খনৰ বাবে ভাল ভাল কাম কৰি আনন্দৰে জীৱন যাপন কৰাৰ উপৰিও 'সদাশয় মতিৰাম' নামেৰে খ্যাত হৈছিল।

চুকা চুকলিৰ মিঠা

তেতিয়া মহাৰাজ চন্দ্ৰকান্ত আছিল মণিপুৰৰ ৰজা। প্ৰজাক তেওঁ নিজৰ সন্তানহেন গণ্য কৰিছিল, প্ৰজাৰ মংগলৰ কথা দিনে-নিশাই চিন্তা কৰিছিল আৰু তেওঁ আছিল অতি ধৰ্মপৰায়ণ, লগতে মহা পৰাক্ৰমশালী। কিন্তু চন্দ্ৰতো কলংক থকাৰ দৰে এনেহেন মহান মহাৰাজৰ মাজতো এটি কলংক আছিল। মহাৰাজ আছিল চুকলিখোৰ। কোনোবাই মহাৰাজৰ কাণত ফুচফুচাব পাৰিলেই হ'ল, মহাৰাজে চুকলিকে সঁচা বুলি ভাবি লৈ কেতিয়াবা সম্পূৰ্ণ নিৰ্দোষীলৈকো কঠোৰ দণ্ড বিহিছিল।

মহাৰাজৰ এই দুৰ্বলতাৰ সুবিধা লৈ কিছুমানে মহাৰাজক নানান আফুৰা কথাৰে তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল, আৰু মহাৰাজৰ কেইগৰাকীমান শুভাকাংক্ষীয়ে প্ৰমাদ গণিছিল, আকৌ কিছুমান ষড়যন্ত্ৰীয়ে নধৰ-নপৰো লগাইছিল।

এদিন ৰাজসভাৰ এগৰাকী মান্যগণ্য সভাসদ জ্যোতিষী শ্ৰীনন্দই ৰাজপ্ৰাসাদৰ কাষেদি ক'ৰবালৈ গৈ থাকোঁতে বিপৰীত ফালৰপৰা চহা মানুহ এজনক আহি থকা দেখা পালে। মানুহজনৰ কান্ধত আছিল বিৰাট এটা কঁঠাল। জ্যোতিষী শ্ৰীনন্দই মানুহজনক সুধিলে, "এই কঁঠালটো বেচিবানে কি?"

চহাই কি জানিব শ্ৰীনন্দ কোন? চহা মানুহজনে ক'লে, "এ—নহয়, নেবেচোঁ। আমাৰ গছৰ পথম কঠাল, ঈচৰলৈ উচৰ্গা কৰিম বুলি লৈ গৈছোঁ।"

"অ—। মন্দিৰলৈ লৈ যাবা তেন্তে?"

মমতা আগৰৱালা

"এ—নহয় দ'ক্। আমাৰ মহাৰাজেই ঈশ্বৰ নহয় জানো? মহাৰাজক দিম বুলি লৈ গৈছোঁ।" চহাই ক'লে।

"অ—!" ৰাজ-জ্যোতিষী শ্ৰীনন্দই মানুহজনলৈ পোন দৃষ্টিৰে চালে আৰু ক'লে, "তোমাক কথা এটা কওঁ, মনপুতি শুনিবা। তোমাক যে মই এনেকৈ ৰখাইছোঁ, তাৰ কিছু কাৰণ আছে। তোমাৰ দেহত ৰাজ-লক্ষণ দেখা পাইছে তোমাক ৰখাইছো মই। এদিন-নহয়-এদিন তোমাক নিশ্চয় এই দেশৰ ৰজা পতা হ'ব—এই কথাটো ক'বলৈহে মই তোমাক ৰখাইছিলোঁ।" এই বুলি কৈয়েই শ্ৰীনন্দই পুনৰ খোজ ল'লে।

ৰাজপ্ৰাসাদৰ ওপৰ মহলাৰ বাৰান্দাত থিয় হৈ স্বয়ং মহাৰাজে ৰাজ-জ্যোতিষী শ্ৰীনন্দৰ কথাখিনি শুনিলে। শুনি তেওঁ বিস্মিত হ'ল। ইমান ডাঙৰ জ্যোতিষী-জনৰ কথা একেবাৰে মিছা হ'বনে?

ইপিনে—শ্ৰীনন্দৰ কথা শুনি চহাৰ মনত খলমলনি উঠিল। সি শ্ৰীনন্দক ৰখাই সুধিলে, "মহোদয়, মোৰ গাত কি ৰাজ-লক্ষণ দেখা পালে—ভাঙি-পাতি ক'বনে?"

"ক'বলৈ—মোৰ আপত্তি নাই, আৰু কথাটো ক'বলৈ ময়ো বিচাৰিছোঁ। কিন্তু একেবাৰে মাননী বিনে কিয় ক'ম মই?"

চহাৰ তেতিয়া বুকুত উজন-ভাটি। তাৰ ৰাজ-লক্ষণ কি—নজনাকৈ সি কেনেকৈনো



থিৰেৰে থাকে? সি যে ৰাজ-দৰ্শনলৈ ওলাইছিল, সেই কথাটোও সি পাহৰিয়েই থাকিল। কান্ধত থকা কঁঠালটো শ্ৰীনন্দৰ হাতত গটাই দি সি ক'লে, "মহোদয়, মই এজন দুখীয়া মানুহ। মোৰ ওচৰত আনকি এটা মুদ্ৰাও নাই। এই তুচ্ছ উপহাৰকে মানী হিচাপে মানি লৈ মোৰ গাত থকা ৰাজ-লক্ষণৰ কথাখিনি কওকেই দয়া কৰি।"

তেতিয়া শ্ৰীনন্দই মুহূৰ্তকৈ হাঁহি মাৰি চহা মানুহজনক সুধিলে, "মই কোন— তুমি জানানে বাৰু?"

"নহয়, নাজানো। মই — ইয়াৰ আগতে আপোনাক কোনো কালে দেখা নাই।" চহাই ক'লে।

"ঠিকেই কৈছা।—তুমি এতিয়ালৈকে নাজানা যে মই কোন, কিন্তু তোমাৰ মনে-খোৱা কথা দুই-চাৰি কোৰাত তুমি মোৰ-মুঠিত পৰিছাহি। নহয় জানো? তুমি আনকি এই কথাটোও নাভাবিলা যে— তুমি এটা চাহা, কেনেকৈনো কৰিবা ৰাজপাটৰ বেহা? আৰু — ভালৰি বোলোৱা-চুকচুকোৱা কথা কেইটামান শুনিয়েই এই কথাটোও পাহৰি থাকিলা যে—কঁঠালটো মহাৰাজক দিবা বুলি লৈ ওলাইছিলা, মোক দিবলৈ নহয়। তোমাৰ নিচিনা নিৰ্বোধ-অবোধ এই ৰাজ্যত আন এজনো বিচাৰি নোপোৱা যিজনে চুকলি শুনি চামৰ পীৰা পাৰি দিব।—এই দেশৰ ৰজা হ'বলৈ আকনো কি লাগিছে?"

এই কথা শুনিয়েই মহাৰাজৰ চকু গজিল। জোতিষী শ্ৰীনন্দই যে বেটীক মাৰি বোৱাৰীক শিকোৱাৰ দৰে চহাক কৈ তেওঁকহে বেহা শিখাইছে—সেই কথাটো ন-কৈ শিকিলে। এই ঘটনাৰ পাছৰপৰা শ্ৰীনন্দই আশা কৰা মতেই মহাৰাজ চন্দ্ৰকান্তৰ মাজত পৰিৱৰ্তনৰ জোৱাৰ উঠিছিল। তেওঁ তেতিয়াৰপৰা আৰু চুকা-চুকলিৰ মিঠাৰে ভোল যোৱা নাছিল।

কয়লা যি হীৰা সি !
ভূগৰ্ভস্থ অত্যধিক উত্তাপ আৰু চাপ-ৰ অৰ্থাৎ হেঁচাৰ ফলত কয়লা স্ফটিকলৈ ৰূপান্তৰিত হৈ হীৰা হয়। কেতিয়াবা প্ৰচণ্ড ভূঁইকঁপত ভূভাগ খণ্ডিত হৈও হীৰা ভূভাগৰ ওপৰলৈ ওলাই অহা হয়।

শিল-ভেদী শামুক !
সূচ্যাকাৰ অৰ্থাৎ বেজিৰ দৰে জোঙামুখীয়া শংখ—ইংৰাজিত যাক 'লিম্পিট' বুলি কোৱা হয়—শিলৰ গাত এনেকৈ বিন্ধি সোমাই থাকে যে ইয়াক শিলৰপৰা এৰুৱাবলৈ ইয়াৰ নিজ দেহৰ ২০০০ গুণ অধিক শক্তিৰ আৱশ্যক হয় !

এয়া সঁচাসঁচৈকৈ ভেড়া নহয়, গছহে। এনেকুৱা ভেড়া-নোমৰ গছ নিউজিল্যাণ্ডত দেখিবলৈ পোৱা যায়। এই গছত ভেড়াৰ গাৰ নোমৰ দৰে ছিৰলীয়া পাত থকাৰ কাৰণে দূৰৰপৰা চৰণীয়া পথাৰত চৰি থকা ভেড়াৰ নিচিনা দেখি। সেইহে এই গছক 'ভেড়া-গছ' বুলি কোৱা হয় !
ভেড়া-গছ

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ জানুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব



M. Natarajan

M. Natarajan

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে মিল থাকিব লাগিব। ১৯৯১ চনৰ নৱেম্বৰৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯১ চনৰ ছেপ্টেম্বৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : মিলনৰ ক্ষণ দ্বিতীয় ফটো : সম্প্ৰীতিয়েই শ্ৰেষ্ঠ গুণ

কুঞ্জবিহাৰী ৰায়, দেওহাটী ভাটিপাৰা. বংগাইগাঁও-৭৮৩২৮৩, অসম

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras - 600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Cuddles always say "I love you."

Show your little ones how much you love them! And is there a better way of doing that than giving them a huggable, cuddlable playmate?

Cuddles. From the people who have given children the delightful entertainer of a magazine, Chandamama. Cuddles. A whole new range of stuffed toys. And, your old favourites. And, cute surprises being introduced regularly. Each one a sweet, adorable companion to your child. Absolutely safe. Designed to withstand childhandling.

Well, the fun and excitement of the festive season is just round the corner. Make it memorable for your child with a special gesture. With a Cuddle.

- CUDDLES — Stuffed toys from Chandamama.
- SAMMO — Mechanical and electronic toys from Chandamama

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea

CHANDAMAMA TOYTRONIX

Chandamama Toytronix Private Limited, Chandamama Buildings, Vadapalani, Madras - 600 026

from

THE HOUSE OF

CHANDAMAMA

Mudra M CTPL 4274

CUDDLES AND SAMMO TOYS WILL BE AVAILABLE AT ALL LEADING TOY OUTLETS EXCEPT IN THE STATES OF ASSAM, HIMACHAL PRADESH, MADHYA PRADESH AND NORTH EASTERN STATES

JUNIOR
QUEST
NOW with the added fun of SPUTNIK Junior!
JUNIOR
QUEST
Where finding out is fun
Zoom behind the scenes with Batman!
Marvel at the fiery sun!
Get set for the Beijing Asiad!
incorporating
Selections from Sputnik Junior!.
* Colourfully illustrated stories and cartoons.
* Superb science fiction
* Entertainment and general knowledge
64 packed pages!
At just Rs. 6/-
Sputnik
Junior
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies,
Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A Chandamama
Vijaya Combines
publication


nutrine
EAT MANGO JUICE!
NUTRINE AAM-RAS HAS
REAL REAL REAL
MANGO JUICE IN THE CENTRE. GO ON
EAT • EAT • EAT • EAT • EAT
IT ALL UP!
nutrine
AAM-RAS
Mudra:BLR:NC:341:91